# অসমীয়া প্ৰবাদ-প্ৰবচনত নাৰীৰ প্ৰস্থিতি

ড° সবিতা মজুমদাৰ কলিতা
সহযোগী অধ্যাপিকা,
টংলা মহাবিদ্যালয়

অসমীয়া লোক সাহিত্যৰ বৰ্ণাঢ্য উপাদানসমূহৰ ভিতৰত প্ৰবাদ-প্ৰবচন এক মধুৰ সংযোজন। ভাষাই লিখিত ৰূপ পাৰিগ্ৰহণ কৰাৰ আগৰে পৰা অনাখৰী লোকৰ মুখে মুখে প্ৰচলিত হৈ অহা এই প্ৰবাদ-প্ৰবচনসমূহে অসমীয়া সুৱদি সুৱীয়া মাত-কথা আৰু সংস্কৃতিক যুগ যুগ ধৰি উজ্জীৱিত কৰি ৰাখিছে। মানুহৰ কথা কোৱাৰ চমৎকাৰিত্ব, বুদ্ধিদীপ্ততা, পৰ্যবেক্ষণ শক্তি আৰু সাংসাৰিক অভিজ্ঞতাৰ পৰিচয় বহন কৰাৰ উপৰিও প্ৰবাদ-প্ৰবচনে বক্তব্য বিষয়ক ৰসাল, অৰ্থবহ আৰু প্ৰভাৱশালী কৰি ভাষাক মধুময় কৰি তোলে। মানুহৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰবাহমান কালৰে পৰা চলি অহা প্ৰবাদ-প্ৰবচনসমূহক "দহৰ জ্ঞান, একৰ বাণী" বুলি অভিহিত কৰা হৈছে।[১] ইয়াৰ মাজেৰে সাঙোৰ খাই আছে চহা জীৱনৰ বিচিত্ৰ অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, ৰীতি-নীতি, স্বভাৱ-চৰিত্ৰ, সমালোচনা, দৈনন্দিন জীৱন চৰ্চা আৰু জাতিৰ মনস্তত্ত্ব।

লোক জীৱনৰ সোণসেৰীয়া কথাৰ স্বতঃস্ফুৰ্ত অভিব্যক্তি প্ৰকাশক প্ৰবাদ-প্ৰবচন আৰু ফকৰা যোজনাৰ মাজত সূক্ষ্ম পাৰ্থক্য পৰিলক্ষিত হয় যদিও হেমকোষ অভিধানে 'প্ৰবচন' শব্দৰ অৰ্থত প্ৰবাদ, ফকৰা, যোজনা আৰু খণ্ডবাক্যক একেলগে সামৰি লোৱা দেখা যায়।[২] ভাষাৰ অলংকাৰ স্বৰূপ এই প্ৰবাদ-প্ৰবচনে বক্তব্য বিষয়ক সাৱলীল আৰু শক্তিশালী কৰি তোলাই অকল ইয়াৰ উদ্দেশ্য নহয়; ইয়াৰ প্ৰকৃত উদ্দেশ্য হ'ল মানব চৰিত্ৰৰ বিশ্লেষণৰ দ্বাৰা মানুহৰ ভুল-ত্ৰুটিবোৰ আঁতৰাই দৈনন্দিন জীৱনৰ কাৰ্যবোৰত অগ্ৰসৰ হ'বলৈ সতৰ্ক কৰি তোলা।

লোক সংস্কৃতিৰ পৰম্পৰাক যুগ-যুগান্তৰলৈ প্ৰবাহিত কৰা নাৰী হ'ল সমাজৰ প্ৰধান চালিকা শক্তি। লোক সাহিত্যৰ স্ৰষ্টা ৰূপে নাৰীৰ যি গুৰুত্বপূৰ্ণ ভূমিকা আছে, তেনেদৰে এই সাহিত্যৰ মাজেৰে নাৰী জীৱনৰ বাস্তৱ চিত্ৰৰ প্ৰতিফলনও ঘটিছে। সেয়ে লোক সাহিত্যৰ যোগেদি নাৰীৰ সামাজিক মৰ্যাদা অৱনমিত হোৱা ইতিহাস অনুধাৱন কৰিব পাৰি। লোক সমাজৰ দ্বাৰা সৃষ্ট অসমীয়া প্ৰবাদত নাৰীয়ে বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। নাৰীক লৈ ৰচিত অনেক প্ৰবাদত প্ৰকাশ পোৱা একোটা খণ্ড চিত্ৰৰ দ্বাৰাই সমসাময়িক সমাজখনত নাৰীৰ অৱস্থিতি আৰু পুৰুষপ্ৰধান সমাজত নাৰীৰ প্ৰতি গঢ় লোৱা সুকীয়া মূল্যবোধৰ পৰিচয় দাঙি ধৰে। বিশিষ্ট সাহিত্যিক ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱেও এই প্ৰসঙ্গত মন্তব্য দিছে এনেদৰে — "প্ৰবাদ-প্ৰবচনবোৰত নাৰী সমাজৰ চিত্ৰ পোৱা যায় আৰু সেইবোৰত নাৰী মনস্তত্ত্ব আৰু পুৰুষ প্ৰধান সমাজখনৰ নাৰী সম্পৰ্কে ধাৰণাৰ ইংগিত দিয়ে।"[৩]

প্ৰবাদসমূহ কোন সময়ত ৰচিত হৈছিল তাক নিৰূপণ কৰাটো কঠিন। কিন্তু এই কথা ঠিক যে মানব জাতিয়ে বন্য জীৱন ত্যাগ কৰি সমাজ পাতি বসবাস কৰিবলৈ লোৱাৰ পৰাই মানুহৰ অৱচেতন মনত যি বুদ্ধি-চেতনাৰ উদ্ভৱ হৈছিল তাৰ ফলস্বৰূপে স্বতঃস্ফুৰ্তভাৱে মানুহৰ মুখৰ পৰা এইবোৰ প্ৰকাশ পাইছিল। যিহেতু একালৰ সেই সমাজখন আছিল নিৰক্ষৰ গাঁৱলীয়া সমাজ, সেয়ে তেওঁলোকৰ দ্বাৰা সৃষ্ট প্ৰবাদ-প্ৰবচনত নাৰীৰ বাস্তৱ জীৱনৰ পূৰ্ণ প্ৰতিফলন ঘটা দেখা যায়। গাঁৱলীয়া পাৰিবাৰিক জীৱনৰ এগৰাকী কৰ্মব্যস্ত নাৰীৰ ছবি প্ৰবাদসমূহৰ মাজেৰে প্ৰতিভাত হৈছে। নাৰী সম্পৰ্কীয় তেনে কেইটামান প্ৰবাদ হ'ল —

ক) এক বুঢ়ীৰ দুই কাম, ধান বানে চুহে আম

খ) মাকতকৈ জীয়েক কাজী, ঢেঁকী খোৱাৰে বাটে পাঁজী

গ) বেটীৰ খং বাঢ়নীত সৰা

ঘ) মাকে খাই এৰী কাটি ভাত, জীয়েকে জোৰে ধনশ্ৰী ৰাগ

ঙ) কলিয়াবৰত পৈয়েক মৰিল, ধান বানোতে মনত পৰিল।

এনে প্ৰবাদবোৰৰ মাজেৰে নাৰীৰ গৃহকৰ্মৰ পৰিচয় দিয়াৰ লগতে একালৰ অসমীয়া গ্ৰাম্য নাৰীয়ে ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ থাকি কেনেদৰে গৃহস্থালিৰ সকলো কাম চম্ভালিব লগা হৈছিল, তাক অনুধাৱন কৰিব পাৰি। আজিৰ দৰে যান্ত্ৰিক প্ৰযুক্তি বিদ্যাই স্পৰ্শ নকৰা সমাজৰ ঘৰখনত নাৰীগৰাকীয়ে পৰিয়ালৰ সকলো লোকৰে খোৱা-লোৱা যতনাই দিয়াৰ উপৰিও ধান বনা, সূতা কটা, বাঢ়নী হাতত লৈ চাফ-চিকুন কৰা ইত্যাদি নিত্য নৈমেত্তিক কৰ্ম গৃহিনীজনীয়ে অকলে সামৰিব লগাত পৰে। সেয়ে দুটা কাম একেলগে কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য "এক বুঢ়ীৰ দুই কাম, ধান বানে চুহে আম" প্ৰবাদ বাক্যটোত নাৰীক সাঙুৰি লোৱা দেখা যায়। ব্যস্ত জীৱনত নাৰীয়ে নিজে খোৱাৰ সময়খিনি উলিয়াব নোৱাৰে। কামৰ লগতে খোৱা - এই দুয়োটা কাম একেলগে সম্পন্ন কৰিবলৈ বাধ্য হোৱা এগৰাকী নাৰীৰ চিত্ৰও প্ৰবাদ বাক্যটিৰ মাজত বিচাৰি পোৱা যায়। এগৰাকী পৰিশ্ৰমী তিৰোতাই ঘৰখনৰ সকলো কামৰ দায়িত্ব কান্ধ পাতি লৈ নিজৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিবলৈ অসমৰ্থ হয়। তেনেদৰে বয়স্কা নাৰী এগৰাকীতকৈ কম বয়সীয়া নাৰীক অধিক পাৰ্গত বুলি শলাগিবলৈ "মাকতকৈ জীয়েক কাজি, ঢেঁকী খোৱাৰে বাটে পাজি" বচন ফাঁকি ব্যঙ্গ ভাবে কোৱা হৈছে। অৰ্থাৎ মাতৃয়ে কৰা ঘৰুৱা কাম-বনবোৰ জীয়েকজনীয়ে সৰুৰে পৰা শিকি অধিক পাৰ্গত হোৱাতো সমাজখনে বিচাৰিছিল। গৃহ কৰ্মত দক্ষতা থকা কন্যা সন্তানক শিক্ষা-দীক্ষা দিয়াৰ সলনি ঘৰৰ যাৱতীয় কামৰ মাজত গৃহবন্দী কৰি ৰখাৰ মানসিকতা ইয়াৰ মাজেৰে উপলব্ধি কৰিব পাৰি। অৱশ্যে অসমীয়া নাৰী শ্ৰমবিমুখ কেতিয়াও নহয়। অতি প্ৰাচীন কালৰে পৰা গৃহস্থালিৰ কামৰ উপৰিও একোগৰাকী মহিলা নিপুণ শিপিনী, খেতি পথাৰত ৰোৱনী, দাৱনী হৈ হাড় ভঙা পৰিশ্ৰম কৰা দেখা যায়। কিন্তু পিতৃতান্ত্ৰিক সমাজৰ চাকনৈয়াত পৰি তেতিয়াও নাৰী অৰ্থনৈতিক দিশত পৰাধীন আছিল। কিয়নো ঘৰুৱা কাম-কাজৰ কোনো আৰ্থিক মূল্য নাই আৰু জনসাধাৰণৰ মনতো এইবোৰ মূল্যহীন।"[8] আৰ্থসামাজিক পৰিস্থিতিৰ পৰিবৰ্ত্তনৰ ফলত আজিৰ নাৰীয়ে স্বাৱলম্বী হ'বলৈ বাহিৰৰ জগতখনত খোজ দিয়াটো নাৰী প্ৰগতিৰ এক উল্লেখযোগ্য স্তৰ হিচাপে চিহ্নিত কৰিব পাৰি।

অসমীয়া প্ৰবাদ বাক্যৰ মাজেৰে খাটি-খোৱা, সাধাৰণ শ্ৰেণীৰ তিৰোতাৰ দুখ-দুৰ্দশাৰ ছবি এখনো পোহৰলৈ আনিছে। সমাজৰ অন্যায় বঞ্চনাৰ বলি হোৱা এইচাম মহিলাৰ বাবে তেওঁলোকৰ খং, ক্ষোভ, মূল্যহীন। তেওঁলোকে অন্যায়ৰ বিৰুদ্ধে কোনো প্ৰতিবাদ কৰিব নোৱাৰে। নিজৰ মনৰ ক্ষোভ মনতে উজাৰিবলৈ বাধ্য হয়। "বেটীৰ খং বাঢ়নীত সাৰ" প্ৰবাদটিত এনে ভাবে প্ৰকাশিত হৈছে। সাধাৰণ দুখীয়া শ্ৰেণীৰ নাৰীৰ স্বৰূপ ফুটি উঠা এই বচনটি নাৰী মনৰ ক্ষোভ, বিৰক্তি, অন্যায়-অবিচাৰ আদি প্ৰকাশৰ ক্ষেত্ৰত কেনে ভূমিকা লয়, সেই প্ৰসঙ্গত ব্যৱহৃত হয়। "বেটি' অৰ্থাৎ আনৰ ঘৰত কাম কৰি খোৱা তিৰোতাই গৃহস্থৰ অন্যায়ৰ বাবে খং উঠিলেও নিজৰ হাতৰ বাঢ়নীটাৰ আঁফলিয়াই ক্ষোভ প্ৰকাশৰ বাহিৰে অন্য উপায় নাই। সেই সময়ৰ এগৰাকী অসহায় নাৰীক এনেদৰে প্ৰচলিত প্ৰবাদটিৰ দ্বাৰা তুলি ধৰি নাৰীৰ স্বাধিকাৰ ৰক্ষাত সামাজিক দৃষ্টিভংগী প্ৰকাশ কৰিছে। নিজৰ উপাৰ্জনলৈ নাচাই অতিৰিক্তভাৱে খৰচ কৰা মহিলাক বুজোৱা অৰ্থত কোৱা হয়- 'মাকে খাই এৰী কাটি ভাত, জীয়েকে জোৰে ধনশ্ৰী ৰাগ।' তথাকথিত সমাজখনৰ দৃষ্টিত 'এৰী কাটি ভাত খোৱা' অৰ্থাৎ দৰিদ্ৰ অৱস্থাই জুৰুলা কৰা মহিলাগৰাকী অৱহেলিত হোৱা পৰিলক্ষিত হয়। সেয়ে গ্ৰাম্যাঞ্চলত এৰী কাটি, কাপোৰ বৈ জীৱন-নিৰ্বাহ কৰা দাৰিদ্ৰপীড়িত মাতৃৰ কন্যাই সংগীত সাধনা কৰিবলৈ গৈ ধনশ্ৰী ৰাগ জোৰা অৰ্থহীন বুলি পৰম্পৰাগতভাৱে প্ৰচলিত এই প্ৰবাদটিৰ মাজেৰে প্ৰতীয়মান কৰিব বিচাৰিছে। তেনেদৰে অপ্ৰাসঙ্গিক কথা অৱতাৰণা কৰাৰ অৰ্থত নাৰীক লৈ ৰচিত আন এষাৰ প্ৰবাদ আছে — 'কলিয়াবৰত পৈয়েক মৰিল, ধান বানোতে মনত পৰিল'। কৰ্ম ব্যস্ততাৰ মাজতে জীৱন কটোৱা নাৰীৰ নিজৰো যে সুখ-দুখৰ অনুভূতিৰে ভৰা এক স্বকীয় সত্তা আছে, সেয়া হয়তো বহু সময়ত উপলব্ধি কৰিবলৈ আহৰি নাপায়।

প্ৰাচীন ভাৰতৰ অন্যতম স্মৃতিশাস্ত্ৰ মনু সংহিতাৰ পৰা ভাৰতীয় সমাজত নাৰীৰ সামাজিক মৰ্যাদাৰ শোচনীয় অৱস্থাৰ কথা হৃদয়ংগম কৰিব পাৰি। নাৰীৰ স্বাধীনতা

প্রসংগত মনু-সংহিতাত কোৱা হৈছে—

পিতা ৰক্ষতি কৌমাৰে ভৰ্তা ৰক্ষিত যৌৱনে।
ৰক্ষন্তি স্থবিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।।[৫]

অৰ্থাৎ নাৰী বাল্যকালত পিতৃৰ, যৌৱন কালত স্বামীৰ আৰু বৃদ্ধা অৱস্থাত পুত্ৰৰ অধীন। স্ত্ৰী কেতিয়াও স্বাধীনতাৰ যোগ্য নহয়। নাৰী সম্পৰ্কীয় এনে পৰম্পৰাগত দৃষ্টিভংগী অসমীয়া সমাজত প্ৰচলিত ডাকৰ বচন আৰু প্ৰাচীন সাহিত্যত ব্যৱহৃত প্ৰবাদ-প্ৰবচনতো প্ৰতিফলিত হৈছে। নব বৈষ্ণৱ যুগৰ কবি অনন্ত কন্দলীয়েও নাৰীৰ পৰাধীনতাকে সমৰ্থন কৰি প্ৰকাশ কৰিছে— "তিনিয়ো কালত নাৰী নোহে স্বতন্তৰী"। লোক সংস্কৃতিৰ সাধক নবীনচন্দ্ৰ শৰ্মাদেৱে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা খাচি সমাজত প্ৰচলিত এফাঁকি প্ৰবচনত কোৱা হৈছে — যদি কুকুৰাই ডাক দিয়ে তেনেহ'লে জগত ধ্বংস হ'ব। (If the hen erows, the world will be in ruins) ডাক দিয়া অৰ্থাৎ সমাজত মাত মতাৰ অধিকাৰ কেৱল পুৰুষ সমাজতহে সীমিত।[৬] মাতৃপ্ৰধান খাচি সমাজত নাৰী সম্পত্তিৰ অধিকাৰী হ'লেও গাঁও সভাত পুৰুষেহে প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হয়। সেইদৰে অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ-প্ৰবচনৰ পৰাও নাৰীৰ সামাজিক স্থিতি সম্পৰ্কে অৱগত কৰিব পাৰি। নাৰী পৰনিৰ্ভৰশীল আৰু সদায় পুৰুষৰ অধীন এনে অৰ্থত অসমীয়া সমাজত প্ৰায় ব্যৱহাৰ হোৱা প্ৰবাদটি হ'ল "লাউ যিমানে ডাঙৰ নহওঁক পাতৰ তল"। তথাকথিত সমাজখনৰ ধাৰণা যে, শিক্ষা-দীক্ষা, বুদ্ধি-বৃত্তিৰে এগৰাকী নাৰী আগবাঢ়ি গলেও তেওঁ কেতিয়াও সমাজত স্বনিৰ্ভৰশীল হৈ জীৱন যাপন কৰিব নোৱাৰে। প্ৰবাদ প্ৰবচনবোৰ সৃষ্টি হোৱা সমাজখনত নাৰী আৰু পুৰুষৰ কৰ্মৰ ভিত্তিক এনে দৃষ্টিভংগীয়ে গা কৰি উঠাত নাৰীৰ স্থান ক্ৰমে নিম্নগামী হ'বলৈ উপক্ৰম হয়। "অন্তত শিল তিৰীত কিল" — এনে বচনৰ দ্বাৰা সমাজত নাৰীৰ প্ৰতি কঠোৰ মনোভাব পোষণ কৰি পুৰুষে সদায় নাৰীক নিয়ন্ত্ৰণ কৰি ৰাখিবলৈ যে বিচাৰিছিল তাক অনুমান কৰিব পাৰি। নাৰীৰ জীৱনৰ লগত সংস্পৃক্ত বহুত সিদ্ধান্তই পৰিয়ালৰ মুৰব্বী পুৰুষজনৰ ওপৰত নিৰ্ভৰ কৰে আৰু এই ক্ষেত্ৰত পৰিয়ালৰ সাধাৰণতে নাৰী গৰাকীৰ মতামত গ্ৰহণ কৰা দেখা নাযায়। সেই প্ৰসঙ্গত ছোৱালীৰ বিবাহৰ ক্ষেত্ৰত "চৰুক সুধি চাউল নিসিজোৱা" প্ৰবাদ বাক্যটি পৰম্পৰাগতভাৱে সমাজত চলি আহিছে। বিশেষকৈ বিবাহৰ ক্ষেত্ৰত অসমীয়া সমাজে এসময়ত ছোৱালীৰ সিদ্ধান্তক প্ৰাধান্য দিয়া নাছিল।

নাৰীৰ স্বভাৱ চৰিত্ৰ, দোষ-গুণ, যৌৱন, দৈহিক সৌন্দৰ্য, ভাগ্য-দুৰ্ভাগ্য আদিক লৈও বহুতো প্ৰবাদ বাক্য অতীত কালৰে পৰা জনসাধাৰণৰ মাজত মুখে মুখে প্ৰবাহিত হৈ আহিছে। নাৰীৰ ৰূপ যৌৱনৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা এফাঁকি প্ৰবাদ হ'ল - "হৰিণাৰ মাংসই বৈৰী"। ইয়াৰ অৰ্থ হৈছে ৰূপ যৌৱনে নিজৰ শত্ৰু হৈ পৰা। বনৰ বাঘ, সিংহ বা মানুহে হৰিণাৰ মাংসৰ লোভতে এই নিৰীহ প্ৰাণীটোক বধ কৰে। সেইদৰে নিৰক্ষৰ গ্ৰাম্য সমাজখনত সৰল ধাৰণা গঢ় লৈ উঠিছিল যে নিজৰ দৈহিক সৌন্দৰ্যৰ বাবে নাৰী পুৰুষৰ কামনাৰ বলি হ'ব লাগে। এই প্ৰবাদটিৰে সুন্দৰী নাৰীক সমাজে স্বাধীন আৰু মুকলিমূৰীয়া জীৱন যাপনত সতৰ্ক কৰি এক প্ৰকাৰ বাধা প্ৰদান কৰিছিল। 'ভাল তিৰি নষ্ট' হৱেই যদি কৰে হাট, ভাল বাৰি নষ্ট হ'ৱেই যদি হৱেই বাট।[৭] মঙ্গলদৈ অঞ্চলত প্ৰচলিত এইষাৰ বচনেও নাৰীক একপ্ৰকাৰ গৃহবন্দী কৰি ৰখাৰ প্ৰৱণতা পৰম্পৰাগত সমাজখনত যে গঢ় লৈ উঠিছিল তাৰ স্বৰূপ দাঙি ধৰিছে। গছ-গছনিৰে ভৰা বাৰিখনৰ মাজেৰে বাট অৰ্থাৎ পথ থাকিলে মানুহে অহা-যোৱা কৰোতে গছ-গছনিৰ ফল-মূলত চকু পৰাটো স্বাভাৱিক। সেইদৰে এসময়ত হাট-বজাৰ কৰি মুকলিকৈ জীৱন নিৰ্বাহ কৰা তিৰোতাক চৰিত্ৰহীন বুলি সমাজত ধাৰণা কৰি ঘৃণাৰ চকুৰে চাইছিল। ইয়াৰ উপৰিও নাৰীয়ে যেতিয়ালৈকে ৰূপ যৌৱনৰ সৌন্দৰ্যৰে আকৰ্ষণীয় আৰু কাৰ্যক্ষম হৈ থাকে, তেতিয়াহে ঘৰখন অথবা সমাজে তেওঁক গুৰুত্ব দি আদৰ সন্মান কৰে। এনে অৰ্থত তিৰোতাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা এটি প্ৰবাদ হ'ল — "আগেয়ে আছিলো দোৱনী-মোৱনী গাই, গুৱালেও বুলিছিল আই, এতিয়া হলোঁ নেজ গুৱৰী, পালতো নিদিয়ে ঠাই। অৰ্থাৎ যীৱতি গাইজনীয়ে গাখীৰ দিয়ে বাবে সকলোৱে তাইক আদৰ কৰে। আনকি গুৱালেও মৰমতে 'আই' বুলি যতন কৰে। কিয়নো গাখীৰ বিক্ৰী কৰি গুৱালে অধিক লাভ কৰিব পাৰে। কিন্তু বুঢ়া হ'লে গাখীৰ দিব নোৱাৰে বাবে কোনেও যত্ন নোলোৱাৰ ফলত নেজত গোবৰ লাগি লেতেৰা হৈ পৰে। খিৰতী গাই গৰুৰ দ্বাৰা এগৰাকী কাৰ্যদক্ষা আকৰ্ষণীয় মহিলাৰ কথা ক'বলৈ বিচাৰিছে আৰু বয়স্ক মহিলাই শাৰীৰিক অক্ষমতাৰ বাবে সমাজ আৰু ঘৰখনত অৱহেলিত হোৱা ছবি এখন এই প্ৰবাদফাঁকিৰ মাজেৰে স্পষ্ট হৈ উঠিছে। এসময়ত ছোৱালীক কম বয়সতে বিয়া দিয়া প্ৰথাৰ প্ৰচলন

আছিল আৰু ছোৱালীৰ বয়স সম্পৰ্কে অধিক সচেতন আছিল অভিভাৱকসকল। সেয়ে কৈছিল— "কুৰি হ'লে বুঢ়ী"। কুৰি অৰ্থাৎ বিশ বছৰ কাল হ'লে ছোৱালী বুঢ়ী হয় বাবে তাৰ আগতে বিয়া দিয়া উচিত বুলি চহা সমাজৰ মনত দৃঢ় বিশ্বাস আছিল। সেইবাবে বিশ বছৰৰ আগতে ছোৱালীক বিয়া দিবলৈ বিচাৰিছিল।

নিৰক্ষৰ জনসাধাৰণে নাৰী মনৰ আবেগ-অনুভূতি, ঈৰ্ষা-অসূয়া আদিক সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি, সেই ভাবক প্ৰবাদৰ মাধ্যমেৰে উপস্থাপন কৰি সমাজক নীতিশিক্ষা প্ৰদান কৰিছিল। নাৰীৰ ঈৰ্ষাৰ স্বৰূপ প্ৰকট কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা এটি প্ৰবাদ হ'ল — "আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা।" নাৰী ইমানে ঈৰ্ষাপৰায়ণ যে নিজৰ নাক কাটি হ'লেও সতিনীৰ যাত্ৰা ভঙ্গ কৰিব পাৰে। সমাজৰ পৰম্পৰাগত বিশ্বাস মতে যাত্ৰাকালত অংগ-ক্ষত মানুহ দেখিলে যাত্ৰা ভংগ হয়। গতিকে সতিনীৰ প্ৰতি থকা নাৰীৰ ঈৰ্ষাৰ ভয়ংকৰ ৰূপ ইয়াৰ মাজেৰে প্ৰতিফলিত হৈছে।[৮] নাৰীৰ মন দুৰ্বোধ্য। দেৱতায়ো হেনো নুবুজে নাৰীৰ মহিমা। নাৰীৰ এই বিচিত্ৰ মনক লৈ অনেক প্ৰবাদ সৃষ্টি হৈছে। লোক সমাজৰ দৃষ্টিত নাৰীৰ মনস্তত্ত্ব প্ৰকাশ ঘটিছে প্ৰবাদ - প্ৰবচনৰ একোটি খণ্ড চিত্ৰৰ মাজেৰে। তেনে কেইটামান প্ৰবাদ হ'ল— "তিৰি মিৰি ভাটৌ কোৱা - এই চাৰিৰ আঁখে নোপোৱা", বহে তাঁতৰ পাটত, চকু আলিবাটত; মাছে নিচিনে নৈ, তিৰোতাই নিচিনে পৈ; সাত ঘাটৰ চেঙেলী ইত্যাদি।

এইদৰে প্ৰবাদ প্ৰবচনবোৰে লোক প্ৰজ্ঞাৰ অক্ষয় ভাণ্ডাৰ হৈ অসমীয়া ভাষাক সমৃদ্ধ কৰি তোলাৰ লগতে লোক জীৱনৰ নাৰী সম্পৰ্কীয় ধাৰণাৰ এটি দিশ উন্মোচন কৰিবলৈ সক্ষম হৈছে। সমাজৰ দৃষ্টিভংগীৰ ওপৰতে নাৰীৰ স্থান আৰু মৰ্যাদা নিৰ্ভৰ কৰে। গতিকে প্ৰবাদসমূহ অধ্যয়নৰ যোগেদি সেই সময়ৰ লোক সমাজখনত নাৰীৰ স্থান সম্পৰ্কে অনুধাৱন কৰিব পাৰি। পুৰুষ কৰ্তৃত্ব প্ৰধান সমাজখনত নাৰী যে প্ৰতিটো খোজতে অৱহেলিত, বঞ্চিত তাক অসমীয়া প্ৰবাদ-প্ৰবচনৰ পৰা মৰ্মে মৰ্মে উপলব্ধি কৰিব পৰা যায়। তাৰোপৰি নাৰী সম্পৰ্কীয় এই পৰম্পৰাগত ধাৰণাবোৰ এতিয়াও সমাজৰ পৰা সম্পূৰ্ণভাবে নিৰ্মূল হোৱা বুলি ক'ব নোৱাৰি। ◆◆

*প্ৰসঙ্গ টোকা ঃ*


১। *শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮১, পৃ. ২২*

২। *বৰুৱা হেমচন্দ্ৰ ঃ হেমকোষ, ২০১৩, পৃ. ৮৬৮*

৩। *শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮২, পৃ. ২৩*

৪। *বৰ্মন শিৱনাথ (সম্পাদনা) ঃ অসমীয়া নাৰীঃ ঐতিহ্য আৰু উত্তৰণ, ২০০২, পৃ. ১৪২*

৫। *বৰুৱা প্ৰফুল্ল নাৰায়ণ ঃ মনু সংহিতা, ২০০৩, পৃ. ২৩৬*

৬। *শৰ্মা নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, ১৯৯৮, পৃ. ৩৫*

৭। *বৰুৱা গৌতম কুমাৰ ঃ মঙ্গলদৈ অঞ্চলৰ ফকৰা-যোজনাৰ ব্যৱহাৰ, ২০০৫, পৃ. ৩৫*

৮। *দাস চক্ৰেশ্বৰ ঃ প্ৰবাদ-প্ৰবচন, ২০০৪, পৃ. ৩৭৭*

# লোকবিশ্বাস আৰু এশিঙীয়া গঁড়

লক্ষ্যজ্যোতি নাথ
লেখক-সাংবাদিক, মৰিগাঁও

পৃথিৱীৰ আটাইতকৈ প্ৰাচীন সনাতন হিন্দুধৰ্মত প্ৰকৃতি সংৰক্ষণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এডাল গছক দহজন সন্তানৰ সমকক্ষ বুলি হিন্দু ধৰ্মশাস্ত্ৰই মত পোষণ কৰিছে। গছ-গছনিৰ উপৰি বিভিন্ন দেৱ-দেৱীৰ লগত বিভিন্ন জীৱ-জন্তুৰ সংযোগ কৰি এইবোৰৰ সংৰক্ষণৰ ক্ষেত্ৰত হিন্দু ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। হিন্দু ধৰ্মৰ বিভিন্ন ধৰ্মশাস্ত্ৰই সকলো প্ৰাণীক নিজৰ সন্তানৰ দৰে বিবেচনা কৰাৰ উপদেশ দিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও "কুকুৰ-শৃগাল-গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম" – বুলি জীৱ-জন্তুসমূহক সহৃদয়তাৰে গণ্য কৰাৰ পৰামৰ্শই দিছে। হিন্দু ধৰ্মৰ দৰে বৌদ্ধ আৰু জৈন ধৰ্মতো প্ৰকৃতি সংৰক্ষণেই হৈছে মূল প্ৰতিপাদ্য বিষয়। বৰ্তমান চোৰাং চিকাৰীৰ আগ্ৰাসনৰ কবলত এশিঙীয়া গঁড়, বাঘ, সিংহকে ধৰি ভালেসংখ্যক বন্যপ্ৰাণীৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিছে। অতীজত বন্যপ্ৰাণী সুৰক্ষাৰ বাবে কোনো আইন নাছিল যদিও ধৰ্মীয় বিশ্বাসৰ বশৱৰ্তী হৈয়েই মানুহে বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত হৈ পৰিছে। এসময়ত বন্য জীৱ-জন্তুক মানুহে ঐশ্বৰীয় বলবীৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰিছিল আৰু পূজা কৰিছিল। প্ৰাচীন কালত ইজিপ্তৰ লোকসকলে মেকুৰী, কুকুৰ, ভেড়া, চৰাই, ঘঁৰিয়াল আদি শতাধিক জীৱ-জন্তুক পূজা কৰিছিল। গ্ৰীচ, ৰোম আদি দেশৰ কোনো কোনো ঠাইত মানুহে তেওঁলোকৰ পূজ্য দেৱতাক প্ৰতীক হিচাপে কিছুমান জীৱ-জন্তুক বাছি লৈছিল। গ্ৰীচৰ পৌৰাণিক প্ৰধান জাতীয় দেৱতা Zeus বা ৰোম দেশৰ Jupiter বা ঈগল, জলদেৱতা Neptune বা ঘোঁৰা, শীতলা দেৱী Juno ক ময়ূৰপক্ষী আদিৰে বুজোৱা হৈছিল। গৰুক পূজা কৰাৰ প্ৰথা পাৰ্চিয়া, আফ্ৰিকা আৰু প্ৰাচীন গ্ৰীচত ব্যাপকভাৱে প্ৰচলিত আছিল। ইউৰোপ, এছিয়াৰ লগতে আমেৰিকা আৰু অষ্ট্ৰেলিয়াৰ আদিম জনজাতিসকলে বন্য জীৱ-জন্তুক ঐশ্বৰিক গুণসম্পন্ন বুলি গণ্য কৰি শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। পশ্চিমীয়া দেশসমূহৰ তুলনাত ভাৰতবৰ্ষত জীৱ-জন্তুক লৈ ধৰ্মীয় বিশ্বাসৰ গাঢ়তা অতি তীব্ৰ আছিল। হিন্দু ধৰ্মৰ মতে হিন্দু দেৱ-দেৱীয়ে বিভিন্ন জীৱ-জন্তুক বাহন হিচাপে ব্যৱহাৰ কৰিছিল। শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাই সিংহ, মহাদেৱ শিৱই ষাঁড়, ব্ৰহ্মাই বনহংস, ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীয়ে ফেঁচা, জ্ঞানৰ দেৱী সৰস্বতীয়ে ৰাজহাঁহ, বিষ্ণুৱে গৰুড় পক্ষী, গণেশে এন্দুৰক বাহন হিচাপে ব্যৱহাৰ কৰিছিল। হিন্দু ধৰ্মৰ প্ৰতিটো পৰ্যায়তে ধৰ্মীয় বিশ্বাসৰ সৈতে অন্য জীৱ-জন্তুৰ এক আন্তঃসংযোগ আছিল। প্ৰলয়ৰ দেৱতা শিৱৰ সাপৰ সৈতে ভিন্ন সম্পৰ্ক থকাৰ দৰে শ্ৰীকৃষ্ণৰ সম্পৰ্ক আছিল গাই গৰুৰ সৈতে। শিৱৰ সৈতে সম্পৰ্কিত হৈ থকাৰ বাবেই হিন্দু ধৰ্মাৱলম্বী লোকে সাপ হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰিছিল। গাই গৰু হৈছে মানৱ সমাজৰ বাবে অতি লাগতিয়াল জন্তু। সেয়ে শ্ৰীকৃষ্ণৰ সৈতে সংযোগ স্থাপন কৰি গাই গৰুক এনে ঐশ্বৰিক ৰূপত সজোৱা হ'ল, যাতে মাংসৰ বাবে মানুহে ইয়াক হত্যা নকৰে। আনহাতে, সৃষ্টিকৰ্তা বিষ্ণুৱে অৱতাৰ লৈছিল মাছ, কাছ আৰু গাহৰিৰ ৰূপত। বানৰ ৰজা সুগ্ৰীৱ আৰু হনুমানে ভগৱান ৰামক সীতা উদ্ধাৰত সহায় কৰিছিল।

অন্যান্য বন্য জীৱ-জন্তুৰ দৰেই এশিঙীয়া গঁড়ক লৈয়ো প্ৰাচীন কালৰে পৰা এক পৰম্পৰাগত বিশ্বাসো গঢ় লৈ উঠিছে। এসময়ত মানুহে গঁড় সদৃশ এবিধ অতিকায় জন্তু কল্পনা কৰিছিল, যাৰ শৰীৰৰ আকৃতি ঘোঁৰাসদৃশ আছিল যদিও আকাৰত যথেষ্ট ডাঙৰ আছিল। 'ইউনিকৰ্ণ' (Unicorn) নামেৰে পৰিচিত এই কল্পিত জন্তুবিধৰ ছবি প্ৰথম অঁকা হৈছিল মেচুপটেমিয়াৰ চিত্ৰশালত। ভাৰতৰ উপৰি দক্ষিণ-পশ্চিম এছিয়া আৰু চীনত এশিঙীয়া গঁড়ক লৈ প্ৰবাদৰ প্ৰচলন আছিল। ২৭ খ্ৰীঃপূত চীন দেশত Chilin নামৰ এবিধ গঁড় সদৃশ জন্তুৰ কল্পনা কৰা হৈছিল। গ্ৰীচত ctesias (400 BC) য়ে এবিধ ঘোঁৰা সদৃশ জন্তুৰ বৰ্ণনা

কৰিছিল, যাৰ শৰীৰ আছিল বগা বৰণৰ, কজলা মূৰ আৰু নীলা বৰণৰ চকুৰে সৈতে ৰঙা, বগা আৰু ক'লা মিশ্ৰিত এটা আধা মিটাৰ দৈৰ্ঘ্যৰ খড়্গ আছিল। আপাতদৃষ্টিত এই কল্পিত জন্তুবিধৰ বৰ্তমানৰ এশিঙীয়া গঁড়ৰ সৈতে যথেষ্ট সাদৃশ্য আছিল। ১৩ শতিকাত এছিয়া ভ্ৰমণ কৰা প্ৰখ্যাত পৰিব্ৰাজক মাৰ্কোপল'ৰ ৰচনাত এবিধ গঁড় সদৃশ জন্তুৰ বিৱৰণ পোৱা যায়। সম্ভৱতঃ ই ভাৰতীয় এশিঙীয়া গঁড়েই আছিল। গঁড় সদৃশ এইবিধ জন্তুক যীশুখ্ৰীষ্টৰ প্ৰতীকী ৰূপত বাইবেলতো উল্লেখ কৰা হৈছে, যিয়ে মুক্তিৰ 'খড়্গ' মানৱ সমাজৰ পৰিত্ৰাণৰ বাবে দাঙি ধৰিছিল।

হিন্দুৰ ধৰ্মীয় বিশ্বাস মতে গঁড় সৃষ্টি কৰা হৈছিল বিষ্ণুৰ বাহন হিচাপে। লোকবিশ্বাস মতে সেই সময়ত গঁড়ৰ খড়্গ নাছিল। গঁড়ৰ পিঠিত 'গদি' বহুৱাই বিষ্ণু যেতিয়া তাৰ পিঠিত উঠিল, তেতিয়া গঁড়টোৱে বলিয়ালি কৰিবলৈ ধৰিলে। পিঠিত আৰোহণ কৰি বিষ্ণুৱে দিয়া আদেশ অমান্য কৰাত বিষ্ণুৰ খং উঠিল আৰু ভৰিত পিন্ধি থকা খৰমযোৰৰ এপাত গঁড়টোৰ মুখমণ্ডললৈ দলিয়াই দিলে। অৱশেষ এই কাৰ্যত গঁড়টোৱে ভয় খাই পলাই নগ'ল, বৰঞ্চ বিষ্ণুৰ ওচৰত শিৰণতহে কৰিলে। বিষ্ণুৱে দলিয়াই দিয়া খৰমপাতে গঁড়টোৰ মুখমণ্ডলৰ ঠিক ওপৰফালে আঘাত কৰিলেগৈ আৰু আঘাত কৰা স্থানত খড়্গৰ জন্ম হ'ল। ভগবান বিষ্ণুৰ খৰমৰ আঘাতত উৎপত্তি হোৱাৰ বাবে গঁড়ৰ খড়্গই লাভ কৰিলে ঐশ্বৰিক গুণ। আনহাতে বিষ্ণুৰ ওচৰত শিৰণত কৰাৰ বাবে গঁড় বিষ্ণুৰ একান্ত ভক্ত হিচাপে পৰিগণিত হয়। আন এক প্ৰবাদ মতে, চৈধ্য বছৰ বনবাস খাটিবৰ বাবে যেতিয়া ৰাম, লক্ষ্মণ আৰু সীতা বনলৈ গৈছিল, তেতিয়া লক্ষ্মণে প্ৰতিজ্ঞা কৰিছিল যে তেওঁ এই সময়ছোৱাত আহাৰ গ্ৰহণ নকৰে আৰু কোনো নাৰীৰ ফালে নাচায়। কঠোৰ তপস্যাৰ দ্বাৰ অসাধাৰণ শক্তি লাভ কৰা ৰাৱণৰ পুত্ৰ ইন্দ্ৰজিতক বধ কৰিবলৈ লক্ষ্মণৰ বাবে এই প্ৰতিজ্ঞা পালন জৰুৰী আছিল। আহাৰ গ্ৰহণ নকৰাৰ বাবে লক্ষ্মণে প্ৰতিজ্ঞা কৰিলেও সীতাই লক্ষ্মণৰ ভাগৰখিনি একাষত দম কৰি থৈ গৈছিল। প্ৰবাদমতে, লক্ষ্মণে ইন্দ্ৰজিতক বধ কৰাৰ পিছত সীতাই একাষত থৈ যোৱা খাদ্যবোৰ এটা জন্তুলৈ ৰূপান্তৰিত হয়। এই জন্তুটোৱে হ'ল এশিঙীয়া গঁড়।

কাজিৰঙাত গঁড়ৰ বসতি আৰম্ভ হোৱাক লৈয়ো প্ৰবাদৰ প্ৰচলন আছে। শোণিতপুৰৰ ৰজা বাণৰ জীয়েক উষাই এদিন সপোনত এজন সুন্দৰ ৰাজকুমাৰ দেখা পালে। সপোনত দেখা পাই এই ৰাজকুমাৰজনক পাবলৈ উষা ব্যগ্ৰ হৈ উঠিল আৰু ৰাজকুমাৰজনক তেওঁৰ ওচৰলৈ লৈ আনিবৰ বাবে সখী চিত্ৰলেখাক কুতুৰিবলৈ ধৰিলে। পিচে ৰাজকুমাৰজন কোন তাক উষাই নাজানে। পিছত সখী চিত্ৰলেখাই ভাৰতৰ ৰাজকুমাৰসকলৰ ছবি এখনৰ পিছত এখনকৈ আঁকিবলৈ ধৰিলে। যেতিয়াই শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ ছবি আঁকিলে, তেতিয়া উষাই ক'লে যে সেইজনেই তেওঁ সপোনত দেখা ৰাজকুমাৰজন। উষাৰ সপোনৰ ৰাজকুমাৰজনৰ বিষয়ে জানিব পাৰি চিত্ৰলেখাই দ্বাৰকালৈ গৈ মায়াৰ বলেৰে অনিৰুদ্ধক শোণিতপুৰলৈ লৈ আহিল। ৰাজকাৰেঙৰ ভিতৰতে উষা আৰু অনিৰুদ্ধ গন্ধৰ্ব প্ৰথাৰে বিবাহত আবদ্ধ হ'ল। কিন্তু বাণ ৰজাই যেতিয়া এই কথা জানিলে তেতিয়া ক্ৰোধান্বিত হৈ উষা-অনিৰুদ্ধক কাৰাগাৰত বন্দী কৰি থ'লে। ইফালে বাণ ৰজাই নাতি অনিৰুদ্ধক বন্দী কৰি থোৱাৰ বিষয়ে জানিব পাৰি শ্ৰীকৃষ্ণই নিজৰ বাহন গঁড়ৰ পিঠিত উঠি দ্বাৰকাৰ পৰা শোণিতপুৰ পালেহি। শ্ৰীকৃষ্ণই ব্ৰহ্মপুত্ৰৰ ইটো পাৰে কাজিৰঙাৰ বনভূমিত গঁড়টো এৰি বাণ ৰজাৰ লগত যুদ্ধ কৰা মানসেৰে নদী পাৰ হ'ল। শোণিতপুৰত উপস্থিত হৈ শ্ৰীকৃষ্ণ বাণ ৰজাৰ লগত যুদ্ধত প্ৰবৃত্ত হ'ল আৰু বাণক পৰাস্ত কৰি প্ৰেমিকদ্বয়ক লৈ দ্বাৰকালৈ উভতি যোৱাৰ বাবে প্ৰস্তুত হ'ল। ব্ৰহ্মপুত্ৰৰ পাৰ হৈ শ্ৰীকৃষ্ণই বাঁহী বজাই তেওঁৰ বাহন গঁড়টোক মাতিলে। কিন্তু গঁড়টোৱে শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত নুশুনিলে। কাৰণ বাঁহীৰ সুৰ স্ৰোতস্বিনী ব্ৰহ্মপুত্ৰৰ সলিলৰাশিৰ শব্দত বিলীন হৈ পৰিল। গঁড়টোৰ এই আচৰণত শ্ৰীকৃষ্ণ ক্ৰোধান্বিত হৈ দ্বাৰকালৈ গুচি গ'লগৈ যদিও গঁড়টোৱে পিচে ব্ৰহ্মপুত্ৰৰ পাৰৰ এই সেউজ উপত্যকাৰ ঘাঁহনি আৰু শীতল পৰিবেশ ভাল পালে আৰু ইয়াতেই ৰৈ গ'ল। আনহাতে, গঁড়ৰ শৰীৰত নোম নথকাক লৈয়ো জনশ্ৰুতিৰ প্ৰচলন আছে। তেনে এক জনশ্ৰুতি মতে, শ্ৰীকৃষ্ণই গঁড়ৰ পিঠিত আৰোহণ কৰিবৰ বাবে 'গদি' ব্যৱহাৰ কৰিছিল। অন্যান্য জন্তুৰ দৰে পূৰ্বতে গঁড়ৰ শৰীৰতো নোম আছিল যদিও গধুৰ গদি ব্যৱহাৰ কৰাৰ ফলত গঁড়ৰ শৰীৰৰ নোম ক্ষয় হ'ল আৰু গঁড় নোমহীন জন্তুত পৰিণত হ'ল। কোনোমতে কাণ আৰু নেজতহে নোমৰ অৱশেষ ৰ'লগৈ।

যিহেতু ভগবান ৰামৰ ভাতৃ লক্ষ্মণলৈ আগবঢ়োৱা খাদ্যৰ পৰা গঁড়ৰ সৃষ্টি হৈছিল, সেয়ে এইবিধ জন্তুৰ খড়্গ, কেঁচা মঙহ আৰু তেজক বহুতে পবিত্ৰ জ্ঞান কৰিছিল। একাংশৰ মতে, গঁড়ৰ মঙহ খাবলৈ পোৱা মানে স্বৰ্গলৈ যোৱাৰ বাবে 'পাছপ'ৰ্ট' লাভ কৰা। গৰিষ্ঠসংখ্যক মানুহে গঁড়ৰ মঙহ আৰু তেজত ঔষধি গুণ থকা বুলি বিশ্বাস কৰে।

পূৰ্বতে বিশ্বাস কৰা হৈছিল যে গঁড়ৰ খড়্গৰ বিষক্ৰিয়া নাশ কৰিব পৰা গুণ আছে। মধ্যযুগত ৰজামহাৰজাসকলে তেওঁলোকৰ প্ৰতিদ্বন্দ্বীসকলে গোপনে বিহপান কৰোৱাব পাৰে বুলি শংকিত আছিল। সেয়ে তেওঁলোকে গঁড়ৰ খড়্গৰে নিৰ্মিত পাত্ৰ ব্যৱহাৰ কৰিছিল। গঁড়ৰ খড়্গৰে নিৰ্মিত পাত্ৰত বিষক্ৰিয়া নাইকিয়া হয় বুলি প্ৰচলিত বিশ্বাস সমগ্ৰ বিশ্বজুৰি আছিল। সেয়ে ইউৰোপৰ সম্ৰাটসকল, আৰবৰ শ্বেখসকল, পূব এছিয়াৰ ৰজাসকল, নেপালৰ ৰাণাসকল, মোগৰ সম্ৰাটসকল আৰু ভাৰতীয় ৰাজ্যসমূহৰ ৰজাসকলে ক'ৰবালৈ গ'লে গঁড়ৰ খড়্গৰে নিৰ্মিত পাত্ৰ লগত লৈ ফুৰিছিল। ফৰাচী বিপ্লৱৰ সময়ত ৰজাঘৰৰ খোৱা বস্তু গঁড়ৰ খড়্গৰে নিৰ্মিত পাত্ৰত ৰখা হৈছিল। চীন দেশৰ পৰম্পৰাগত ঔষধত গঁড়ৰ শৰীৰৰ বিভিন্ন অংশ ব্যৱহাৰ কৰা হয়। চীনা বিশ্বাসমতে, গঁড়ৰ খড়্গ গুড়ি অংশ কৰি বনোৱা বড়ি খালে হেনো হৃদপিণ্ড শীতল হয়, তেজৰ উত্তাপ কমে আৰু ভয় নালাগে। ইয়াৰ উপৰি গঁড়ৰ খড়্গ গুড়ি কৰি খালে মানুহৰ যৌনশক্তি বৃদ্ধি হয় বুলি এক বদ্ধমূল ধাৰণা আছে। কাৰণ - গঁড়ৰ খড়্গৰ আকৃতি 'লিংগ'ৰ দৰে আৰু গঁড়ৰ সংগম কাৰ্য প্ৰায় ৪০ মিনিটমান সময় চলে। অৱশ্যে বৈজ্ঞানিক অনুসন্ধান অনুসৰি বহুতে ভবাৰ দৰে প্ৰকৃততে গঁড়ৰ খড়্গৰ কোনো ঐশ্বৰিক গুণ নাই। অন্যান্য জন্তুৰ মূৰত গজা শিঙৰ সৈতে গঁড়ৰ খড়্গৰ সাদৃশ্য নাই। ই প্ৰকৃততে শিং নহয়, গঁড়ৰ খড়্গ চুলিৰ বা নোমৰ গোট মৰা সমষ্টিহে। মুখমণ্ডলৰ ওপৰৰ নাকৰ আগত থকা ছালখনত চুলিৰ গঠনত গঢ় লৈ উঠা খড়্গই গঢ় লয়। IUCN এ ১৯৬৭ চনত ছুইজাৰলেণ্ডৰ গৱেষণাগাৰত পৰীক্ষা চলাই গম পাইছিল যে গঁড়ৰ খড়্গ কেৰ'টিন কলাৰে গঠিত। দেহৰ হাড়-মূৰৰ লগত কোনো সম্পৰ্ক নথকা গঁড়ৰ খড়্গ ৰাসায়নিক বিক্ৰিয়াবিহীন আৰু ইয়াৰ কোনো ঔষধি গুণ নাই।

গঁড়ৰ খড়্গৰ দৰে গঁড়ৰ মঙহ আৰু তেজত ঔষধি গুণ থকা বুলিও বহুতে বিশ্বাস কৰে। অসমৰ উচ্চবৰ্ণৰ হিন্দুৱে গঁড়ৰ দেহৰ সকলো অংশৰে মঙহ নাখায়। কাৰণ, তেওঁলোকে বিশ্বাস কৰে যে গঁড়ৰ দেহটোৰ আধা হৰিণাৰ আৰু আধা ম'হৰ। যিহেতু হিন্দুৱে ম'হ নাখায়, গতিকে তেওঁলোকে গঁড়ৰ দেহৰ এটা নিৰ্দিষ্ট অংশৰ মাংস নাখায়। কিন্তু নেপালী হিন্দুসকলে গঁড়ৰ সকলো অংশৰে মঙহ খায়। গোৰ্খাসকলে বিশ্বাস কৰে যে গঁড়ৰ মঙহ আৰু তেজ খোৱাৰ ফলত তেওঁলোকৰ দেহলৈকো দুৰন্ত শক্তি প্ৰবাহিত হয়। গঁড়ৰ মূত্ৰক বহুতে ঐশ্বৰিক গুণসম্পন্ন বুলি ভাবে। চীনাসকলে বিশ্বাস কৰে যে যাদুশক্তিসম্পন্ন গঁড়ৰ মূত্ৰ (খিচ্)ই ভূত-প্ৰেত অশৰীৰী অন্যায়কাৰী কোনো আত্মাক আৰু বেমাৰ-আজাৰক ঘৰত প্ৰৱেশ কৰাত বাধা দিয়ে। গঁড়ৰ মূত্ৰ সেৱন কৰাৰ ফলত বিভিন্ন ছালৰ বেমাৰ, হাঁপানী, মৃগীৰোগ আদি ভাল হয় বুলিও বহুতে ভাবে। বহুতো চিৰিয়াখানত সেয়ে গঁড়ৰ মূত্ৰ বিক্ৰীও কৰা হয়। অৱশ্যে এইটো সত্য যে গঁড়ৰ মূত্ৰত ইউৰিক এচিড থাকে বাবে ই 'এন্টিচেপ্টিক' হিচাপে কাম কৰে। সেয়ে গঁড়ৰ মূত্ৰত কিছু ঔষধি গুণ থকাটো অস্বীকাৰ কৰিব নোৱাৰি।

এশিঙীয়া গঁড় পৃথিৱীৰ অন্যতম প্ৰাচীন জন্তু। এসময়ত পেছোৱাৰৰ পৰা আৰম্ভ কৰি নেপাল পৰ্বতৰ পাদদেশৰ তৰাই বনভূমিকে ধৰি দক্ষিণ-পশ্চিমে বাংলাদেশৰ এক বিশাল অঞ্চল আৰু পূৰ্বৰ অসমৰ নদী উপত্যকাই আছিল এশিঙীয়া গঁড়ৰ প্ৰাকৃতিক আবাসস্থল। পৌৰাণিক তথ্যমতে, এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ পূৰ্বে সিন্ধু উপত্যকাত পৰ্যাপ্ত পৰিমাণে এশিঙীয়া গঁড় পোৱা গৈছিল। উল্লেখ্য যে মহেঞ্জোদাৰোৰ খননত প্ৰত্নতাত্ত্বিকসকলে এইবিধ প্ৰাণীৰ জীবাশ্ম আৱিষ্কাৰ কৰিছে। এই খননত এশিঙীয়া গঁড়ৰ সাঁচ থকা ছীল (Seal) উদ্ধাৰ কৰিছে। মহেঞ্জোদাৰোৰ সভ্যতাৰ সময় পাঁচ হাজাৰ বছৰ পূৰ্বৰ। ইয়েই নিদৰ্শন কৰে পাঁচ হাজাৰ বছৰ পূৰ্বৰ সিন্ধু উপত্যকাত গঁড়ৰ সবল উপস্থিতিৰ কথা। গঁড়ৰ দেহৰ অৱশিষ্ট হৰপ্পাৰ খননতো আৱিষ্কৃত হৈছে। প্ৰত্নতাত্ত্বিকসকলৰ মতে গঁড় আৰু বাঘ আদি বন্য জন্তুবোৰে তাহানিৰ সিন্ধু উপত্যকাৰ অধিবাসীবোৰক যথেষ্ট হাৰাশাস্তি কৰিছিল। সেয়ে তেওঁলোকে বন্য জন্তুবোৰক সন্তুষ্ট কৰিবলৈ পূজা-পাতল দিছিল। দুৰ্ভাগ্যজনকভাৱে ইয়াৰ পিছতে বানপানী আৰু মানৱসৃষ্ট পৰিৱৰ্তিত পৰিৱেশে সিন্ধু উপত্যকাৰ পৰা গঁড় সমুলঞ্চে বিনাশ ঘটায়। অৱশ্যে ইয়াৰ মাজতে দুই-এটা গঁড় বাচি থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত উত্তৰ ভাৰতত গঁড় বিচৰণৰ কথা জনা যায়। ১৩৯৮ চনত মংগোল আক্ৰমণকাৰী টাইমুৰ লঙে কাশ্মীৰ সীমান্তত বহুতো গঁড় হত্যা কৰিছিল। মোগল সম্ৰাট বাবৰে পশ্চিমৰ পেছোৱাৰ আৰু উত্তৰৰ খাইবাৰ গিৰিপথৰ ওচৰত গঁড় হত্যা কৰাৰ বিষয়ে 'বাবৰনামা'ত উল্লেখ আছে। এনেদৰে নিৰ্বিবাদ হত্যাৰ ফলত ১৯ শতিকাৰ ভিতৰত সিন্ধু নদীৰ উপত্যকাত গঁড় বিলুপ্ত হয়। সদ্যহতে অসমত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যতহে এশিঙীয়া গঁড় বৰ্তি আছে। পবিতৰা অভয়াৰণ্যত গঁড়ৰ ঘনত্ব পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। ◆◆

# তিৱা সমাজ-সংস্কৃতিত 'ৱানছোৱা'

মুৰুলীধৰ দাস,
লোক গবেষক, ক্ষেত্ৰী

উৎসৱবিহীন সভ্যতা নিবস আৰু নিৰ্জীৱ' বুলি কোৱা হয়। এই কথাও ঠিক যে উৎসৱসমূহক কেন্দ্ৰ কৰিয়েই ধৰ্মীয় পৰম্পৰা বা ধৰ্মীয় আচৰণ বিধি কিছুমানবো সংযোজন হোৱা দেখা যায়। কৃষিৰ লগত জড়িত ভালেমান লোক অনুষ্ঠান তিৱা সমাজতো পুঁজিত-পালিত হৈ আহিছে। 'ছগ্ৰামিছৱা' বা 'চংখং' উৎসৱ দুটা যেনেদৰে কৃষিভিত্তিক অনুষ্ঠান তেনেদৰে 'বানছোৱা' উৎসৱটোও এটা কৃষিৰ লগত জড়িত অনুষ্ঠান। এই 'ৱানছোৱা' উৎসৱটো চোৱাৰ হেঁপাহ এটা বহু দিনৰ পৰাই আছিল। আমাৰ সেই আশা এদিন পূৰণ হ'ল। অকল পূৰণ হোৱাই নহয়, ইয়ে আমাক বহুৰঙী তিৱা সংস্কৃতিৰ মিঠা ৰূপ এটাৰ লগত চিনাকি হোৱাৰ পথো তেনেই সুগম কৰি তুলিলে। তিৱা সাহিত্য সভাৰ বিষয়ববীয়া আমাৰ শুভাকাংক্ষী বন্ধু তুলসী বৰদলৈ, মহেশ্বৰ পাটৰ আৰু উফিং মাছলায়ে এদিন আমাক কাৰ্বি আংলঙৰ মৰটেনৰ মাছলাই খুঞ্জি নামৰ ভিতৰুৱা তিৱা গাঁও এখনলৈ 'বানছোৱা' দেখুবাবলৈ লৈ গ'ল। আমাৰ বাহনে পাহাৰ বগাই বগাই আগবাঢ়িল। আমি বাটত দেখি গৈছিলো বৰগাং, বেজিথোৰ, ক্ৰোকেংদাং, লাংপাকু, আমডবা, খোমৰাই থৰা আদি তিৱা-কাৰ্বি গাঁওসমূহৰ পৰা মাছলাই খুঞ্জিলৈ গৈ থকা ডেকা-গাভৰু আৰু অন্যান্য লোকৰ লানি নিছিগা শাৰী। তেতিয়াই আমি অনুমান কৰিছিলো 'ৱানছোৱা' বা পিঠাগুৰি খুন্দা লোক অনুষ্ঠানটিৰ প্ৰতি তিৱা ৰাইজৰ আগ্ৰহ কিমান। মাছলাই খুঞ্জিত গৈ দেখিছিলো 'পাম্থাই' বা ডেকাসকলে ডেকাচাং বা 'চামাদি'ৰ বিষয়ববীয়াই 'চাংমাজি'ৰ ঘৰত তেওঁলোকৰ পাৰম্পৰিক সাজ-পাৰবোৰ পিন্ধি লৈছিল। সাজ পাৰৰ ভিতৰত আছিল কঁকালত লেংটি, গাত গটলা আৰু মূৰত ফাগা। গোমোচা বা ফাগাই ডেকাসকলৰ মাত্ৰ মুখকেইখনহে দেখা পোৱা কৰি ৰাখিছিল। সাজ পাৰ কৰি উঠাৰ পিছত ডেকাসকলে চাংমাজিৰ প্ৰতি শ্ৰদ্ধা ৰাখি তেওঁলোকৰ চোতালতে প্ৰথমে নাচিবলৈ অনুমতি বিচাৰিছিল। চাংমাজি আৰু তেওঁৰ পৰিয়ালবৰ্গইও ডেকাসকলক আদৰিবলৈ সাজু হৈ আছিল। ঘৰৰ আইতাগৰাকীয়ে 'পাম্থাই'সকলৰ গালে-মুখে পিঠাগুড়ি আৰু মিঠাতেল সানি দি আনন্দ কৰিছিল। ডেকাসকলেও আইতাগৰাকীক শ্ৰদ্ধা-ভক্তি জনাইছিল। চাংমাজিৰ ঘৰত ভালেমান পৰ নচাৰ পিছত তেওঁলোকে চাংমাজিক আগত লৈ ডেকাচাঙৰ মুৰব্বী বিষয়া চাংদলৈৰ ঘৰলৈ নৃত্য কৰি কৰি আগুৱাই গৈছিল। চাংদলৈৰ ঘৰতে 'বানছোৱা'ৰ মূল উৎসৱটো পতাৰ নিয়ম। ডেকা দলটো যোৱাৰ আগতে চাংদলৈয়ে সাজু হৈ আছিল তেওঁলোকক আদৰিবলৈ। তেওঁৰ চোতালতে সাজু কৰি ৰাখিছিল পঞ্চাশ-ষাঠিটা কাঠৰ উৰাল বা 'চাম'। ভালেকেইটা 'থপাত' (স) যোগাৰ কৰি ৰখা হৈছিল উৰালত খুন্দিবলগীয়া ভিজা চাউল। আনহাতে আগ্ৰহী দৰ্শকৰে চাংদলৈৰ চোতাল উদুলি-মুদুলি হৈ পৰিছিল। আমি আহোতে লগ পাই অহা গাঁওসমূহৰ উপৰি চাংদলৈৰ চোতালত ভিৰ কৰিছিলহি উলুখুঞ্জি, আম্পানাই, আমুচুবাই, মাৰ্জং, থাৰাখুঞ্জি আদি পাহাৰীয়া লোকসকলেও। তেওঁলোকেও প্ৰতিজনে পৰিধান কৰি আহিছে তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰবোৰ। সেয়া কি যে হিয়া চুই যোৱা দৃশ্য। সেইবোৰ বাৰেৰহণীয়াও। চাংদলৈৰ চোতালখন যেন তেতিয়া হৈ পৰিছিল সম্প্ৰীতিৰ একোখন বহল পথাৰহে। সঁচা অৰ্থত ক'বলৈ গ'লে সেয়াই তেওঁলোকৰ জীৱন নিৰ্বাহ পদ্ধতিত গঢ় লৈ উঠা নিজস্ব সংস্কৃতি, তিৱা-সংস্কৃতি।

এটা সময়ত চাংদলৈৰ চোতালত আৰম্ভ হৈছিল 'ৱানছোৱা' উৎসৱৰ। উছৱথলী বিৰতিবিহীনভাৱে ৰজনজনাই উঠিছিল ছেওধৰি বজোৱা 'খ্ৰাম', 'থোৰং', 'পংখী', আদি তিৱা বাদ্যযন্ত্ৰৰ মিঠা শব্দত। প্ৰথমতে ডেকাসকলে তাত 'খ্ৰাম' (ঢোল) আৰু 'পাশী' (বাঁহী) বজাই ঘূৰণীয়াকৈ নাচে।

তেনে মুহূৰ্তত শস্যাধিপতি চাৰি কৰা, চাৰিভাই বা ফামহাদেউক উদ্দেশ্য কৰি স্তুতিগীত গোৱা হয় এনেদৰে —

ঐ ঈশ্বৰ চাৰি কৰা চাৰি বাহাই
লামফা ৰাজানে নেম কাৰা যাং
লামফা ৰাজানে নেম কৰা যাং
তাৰে ফাৰা হিয়া দছ হাজাৰ
ফিৰিনে ফাৰা
হেবনেম চ্যিঙ থাইদং। ইত্যাদি।

ভাবাৰ্থ ঃ হে ঈশ্বৰ চাৰি কৰা, চাৰি ভাই মহাদেউ, আমি শ শ বছৰীয়া, হেজাৰ হেজাৰ বছৰীয়া নিয়ম-নীতিবোৰ এৰা নাই। উৰালত পিঠাগুড়ি খুন্দি পুৰণা নিয়ম-নীতিকে পালন কৰি আহিছোঁ। আন এটা স্তুতি গীতৰ মাজেৰে বিয়য়ববীয়া আৰু ডেকাসকললৈ পৰামৰ্শ এটা নিবেদন কৰি কয়, হেৰা চাংদলৈ চাংমাজি, চুৰমা, দেউৰা, পলখুলি বিয়য়ববীয়াসকল, তোমালোকে নিজৰ নিয়ম-নীতিক উপলুঙা নকৰিবা, উপলুঙা কৰিলে আমাৰ বাপতি সাহোন মৰমৰ চামাদিখনেই নাথাকিবগৈ। চামাদিখন নাথাকিলে আমাৰ তিৱা জাতিৰো পৰিচয় নাথাকিব। গীতৰ দুটা শাৰী হ'ল —

এ আছিগাগ' তালা দেউশাল
চাংদলৈ
এ আছিগাগ' তালা দেউশাল
চাংমাজি

স্তুতিগীতখিনি গাই থকাৰ মাজতে 'খৰলা' (গাভৰু)সকলে থ'পাত সাজু কৰি ৰখা ভিজা চাউলখিনি উৰালত ঢালি দিয়ে। ডেকাসকলে নাচি নাচি ইটোৰ পিছত সিটো উৰালত উৰালমাৰিৰে চাউলবোৰ খুন্দিয়ায়। মন কৰিবলগীয়া কথা যে 'বানছোৱা'ত মূলতঃ ডেকাসকলৰ ভূমিকা সৰহ। আনহাতে ভক্তিভাবৰ প্ৰয়োভৰেৰে পতা হয় যদিও কৃষি উছৱ 'বানছোৱা'ত প্ৰেম-প্ৰীতিৰ গীতো ডেকাসকলে সিদিনাখন গোৱা শুনা যায়। সৰু সৰু য'তৰ (যন্ত্ৰ) একোটা হাতে হাতে লৈ কিছুমানে তাৰ পৰা কেৰেট কেৰেট শব্দ উলিয়াই গাভৰুসকললে পিঠাগুৰি ছটিয়াই ছটিয়াই মিঠা মিঠা গীতৰ কলিবোৰ গায়। বৰ প্ৰাণঢালি গোৱা এই গীতখিনি শুনি কোনোবা গাভৰুৱে হয়তো লাজতে ৰঙা-চিঙা পৰে, কোনেবাজনীয়ে হয়তো মিচিকি হাঁহিৰে ঘৰৰ পোহন মদ এচুঙা যাচে। এইখিনি গীতক 'গাভৰু ভুলোৱা গীত' বা 'খৰলা ৰ'জৰাকীত' বুলিও ক'ব পৰা যায়। বিননি তুলি গাইফুৰা ডেকাসকলৰ স্থান গাঁওখনত সিদিনা ভালেখিনি সুকীয়া। সিদিনা তেওঁলোকৰ খোৱা-লোৱাৰ কোনো নিৰ্দিষ্ট ঘৰ নাই। তেওঁলোকে পিঠাগুড়ি ছটিয়াই ছটিয়াই প্ৰতিঘৰতে গীত গাই ফুৰোতে যিঘৰৰ পৰা আতিথ্য পোৱা যেন পায়, সেই ঘৰতে খায়। গৃহস্থইও সেইসকল ডেকা অতিথিক খুওৱাত কোনো কাৰ্পণ্যতা নেদেখুৱায়। বৰং সিদিনাখন ডেকাসকলক এসাঁজ খুৱাব পৰাটোত নিজকে সৌভাগ্যবান বুলিহে ভাবে। এইখিনি পৰম্পৰা 'বানছোৱা'ৰে এটা মিঠা অংশ। 'যন্তৰ' লোৱা ডেকাকেইজনৰ ওচৰলৈ আমি আগবাঢ়ি যোৱা দেখি তেওঁলোকে বিননি তুলি আমাৰ আগত 'খৰলা ৰ'জৰাকীত' এফাঁকি গাই শুনালে —

হাঁ পাগা খাৰাইনে খুঁৰবী জলম্‌বে চন মুংগ মানীয়া মাং
মুংগ মান কাইদ্‌চাল কৰানে ছাজগ' চলক তি কামাং
নামগ' মান কাইদ'
চাল নাঙানে ছাজগ'
চাল নাঙানে ছাজগ'
চাতাৰ দিকা মাং (গীতটো লালচিং মাদাৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাবাৰ্থ ঃ কোন গাঁৱৰ জীয়ৰী তুমি, নামো নাজানো, ঠিকনাও নাজানো, তোমাৰ নামটো জনাহেঁতেন গীত এটাকেই লেখিলোহেঁতেন, কবিতা এটাকেই লেখিলোহেঁতেন। প্ৰাৰ্থনা গীতবোৰ গোৱা আৰু উৰালত পিঠাগুড়ি খুন্দা শেষ হোৱাৰ পিছত চোতালখনত নাচি নাচি ঘূৰি থকা আটায়ে একে সময়তে হাতৰ পৰা উৰালমাৰিবোৰ চোতালৰ একে ঠাইতে দলিয়াই দি 'বানছোৱা' উছৱৰ সামৰণি মাৰে। তেতিয়া 'খৰলা' বা গাভৰুসকলে সেই পিঠাগুৰিৰে ভাপত বনোৱা পিঠাবোৰ চাংদলৈৰ ঘৰৰ চোতালত বৃত্তাকাৰে বহি বুধবাৰে নিশা আৰু বৃহস্পতিবাৰে পুৰা ভাগত ছদঙা ৰজা আৰু মালদেউ ৰজাৰ নামত উছৰ্গা কৰে। পূজাৰ পিছত সেই পিঠাবোৰ বিয়য়ববীয়া চাংদলৈ চাংমাজি, চুৰমা, দেউৰা, পদখুলি আদিক খুৱায়। আনসকল ডেকাই সেই পিঠাৰ ভাগ নাপায়। 'বানছোৱা' উৎসৱৰ সৈতে 'চামাদি' বা ডেকাচাঙৰ এৰাব নোৱাৰা সম্বন্ধ আছে। উছৱটো পতা হয় সাধাৰণতে ডেকাচাংখন নতুনকৈ পাতি উঠাৰ পিছতহে। অনুষ্ঠানটো যথেষ্ট বহল বাবে ইয়াক তিৱা সমাজে কিছু এৰা-ধৰাৰ মাজেৰে পতাৰ ব্যৱস্থা কৰিছে। পাঁচ বছৰৰ মূৰত ডেকাচাংখন

নতুনকৈ পাতিব নোৱাৰিলেও 'ৱানচ্যোৱা'টো উৎসৱটি পাতিব লাগিবই। আনহাতে দহ বছৰৰ মূৰত ডেকাচাংখন ৰাইজে নতুনকৈ পতাৰ ব্যৱস্থা কৰিব লাগিবই। মূল 'ৱানছোৱটো পবিত্ৰ বুধবাৰ এটাত পতা হয়। কোনোবাখন গাঁৱে আহাৰ-শাওন মাহত পাতে, কোনোবাখন গাঁৱৰ ৰাইজে ফাগুন-চ'ত মাহত পাতে (সাধাৰণতে ফাগুন-চ'ত মাহতে খুঁটা-খেৰ চামাদি সাজি উলিওৱা হয়)

সোমবাৰে সাতোটা গাহৰি ডেকাছাঙত উছৰ্গা কৰা হয় আৰু তাৰ মাংসখিনি পূজাৰ কাৰণে কিছু ৰাখি প্ৰতিঘৰকে বিলাই দিয়া হয়, যাতে মঙলবাৰৰ পৰা গাঁৱত গোট খোৱা ডেকা ল'ৰা বা আলহী-অতিথিক খুৱাব পৰা যায়। 'ৱানছোৱা'ত যোগ দিবলৈ নিমন্ত্ৰণ কৰা গাঁওখনলৈ আন গাঁৱৰ ডেকাসকল মঙলবাৰৰ গধূলিৰ পৰাই আহিবলৈ আৰম্ভ কৰে। সেই ডেকাদলবোৰক গাঁৱৰ মূৰতে তামোল-পাণ বঁটাৰে ইখন গাঁৱৰ ডেকাই আদৰে। সিদিনাখন ডেকাসকলক ডেকাছাঙত নাচিবলৈ দিয়া হয়। এনেকৈয়ে উদুলি-মুদুলি পৰিৱেশ এটাত বুধবাৰৰ দিনটো চলি থকাৰ পিছত গধূলিলৈ সেই পৰিৱেশ ক্ৰমান্বয়ে কমি আহে। বিভিন্ন গাঁৱৰ পৰা অহা ডেকা-গাভৰুবোৰে মনত একোটা ৰঞ্জিত ৰঞ্জিত ভাব লৈয়েই নিজ গাঁৱলৈ গুচতে। গতিশীলতাৰ বোকোচাত উঠি সময়ে বাগৰ সলায়। সময় সাপেক্ষে সেইখিনি বাস্তৱতাক মানি ল'বলগীয়া হোৱাৰ বাবেই হয়তো গ্ৰহণ-বৰ্জনৰ মাজেৰে তিৱা লোক সংস্কৃতিয়েও ভালেখিনি গতি সলাইছে। কোনো কোনো অঞ্চলৰ তিৱাৰ চামাদিবোৰ আজি খেৰৰ ছালি গুচি টিনপাতৰ হ'ল, কাঠৰ খুঁটা গুচি পকীৰ খুঁটা হ'ল। ডেকা-গাভৰুৰ শিক্ষাৰ পোহৰত 'ৱানছোৱা'ত মদ-পানীৰ ব্যৱহাৰো ভালেখিনি কমি আহিল। হাতীটোৰ ঠাইত মাখিটো দি হ'লেও সংস্কৃতিটো জীয়াই ৰখাৰ পোষকতা আজিও এচামে কৰি আহিছে। ক'বলৈ গ'লে গ্ৰহণ-বৰ্জনৰ মাজেৰে আদিম জনগোষ্ঠী এটাৰ আজিৰ সংস্কৃতিৰ গ্ৰহণযোগ্য যিটো সামগ্ৰিক ৰূপ, সেয়াই সংস্কৃতিৰ জীয়া ৰূপ। এটা কথা সত্য যে সংস্কৃতিবান লোক এচামৰ কাৰণেই সংস্কৃতি একোটা আজিও সুৰক্ষিত হৈ আহিছে। উৎসৱটো প্ৰত্যক্ষ কৰাৰ পিছত সেইখিনি কথাৰ সত্যতাকে আমি উপলব্ধি কৰিলোঁ। সেইখিনি মিঠা অনুভৱ লৈয়েই উছৱথলীৰ ডেকা-গাভৰুৰ পৰা বিদায় লৈ আমি তিৱা সাহিত্য সভাৰ বিষয়ববীয়া কেইগৰাকীৰ সৈতে জাগীৰোডলৈ ঘূৰি আহিলোঁ। আহোতে বাটতে গুণ গুণাই আহিলো গাভৰুলৈ পিঠাগুৰি ছটিয়াই গোৱা আন এটা 'গাভৰু ভুলোৱা গীত'ৰ কলি —

সাতথপ খুংৰিনে  
ভা অৰলং ফলগ'  
থবালি চ্যাচেগাং  
থবালি য্যায়াম আই  
পাথ চ্যামবে কনং তুবি পাৱনে

ফেম্বৰ কজাটঙ (মহেশ্বৰ পাটৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থ - সাত তৰপ সুৰংগত থকা শিলঘৰীয়া মাছটোক টোপ যাছিলোঁ টোপ নাখালে মোৰ। কিয়নো খাব, বৰডুবিৰ ৰঙা পিপৰাটো থাকোতে। ◆◆

# কাৰ্বি জনগোষ্ঠীৰ এক ৰেঙণি

কৃষ্ণমণি বাংঠাই টিমুং
বুঢ়ামায়ং

সংস্কৃতি মানৱ জীৱনৰ আধাৰ। অসমীয়া জাতিটো বিভিন্ন জাতি, উপ-জাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। এফালে ভাৰতীয় আৰ্য আনফালে মঙ্গোলীয় আৰু অষ্ট্ৰিক প্ৰজাতিৰ লোকৰ লগতে নেগ্ৰিটো প্ৰজাতিৰ লোকৰ সংমিশ্ৰণত বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছে বুলি বহুলোকে ক'ব বিচাৰে। বিভিন্ন লোকে কাৰ্বিসকলক তিব্বতীয় ভাষা-গোষ্ঠীৰ বুলি নিশ্চিত কৰিছে যদিও অসমৰ 'কলস্বাছ' আখ্যা দিয়া কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কাৰ্বিসকলক অষ্ট্ৰিক জাতিৰ বুলিয়ে অভিহিত কৰিছে। মংগোলীয় নৃগোষ্ঠীৰ তিব্বত ধৰ্মীয় ভাষাভাষী হিচাপে কাৰ্বি জনগোষ্ঠীৰ লোকসকলে অতীজৰে পৰা অসমত বাস কৰি আহিছে। ঐতিহাসিক তথ্য অনুযায়ী কাৰ্বি লোকসকলে প্ৰথমে নাগা ভূমিৰ মাজেৰে প্ৰৱেশ কৰি অসমৰ বিভিন্ন অংশত বসতি আৰম্ভ কৰে।

কাৰ্বিসকল সংস্কৃতিপৰায়ণ জনগোষ্ঠী। কাৰ্বি জন জীৱনত নৃত্য-গীতৰ প্ৰভাৱ অপৰিসীম। আজিৰ পৰা কেইবাশতিকা ধৰি অসমৰ জনগোষ্ঠীক অনাকাৰ্বি জনসাধাৰণে 'মিকিৰ' নামেৰে অভিহিত কৰি আহিছিল। কিন্তু এই গোষ্ঠীৰ লোকসকলে নিজকে 'কাৰ্বি' বুলি চিনাকি দি হে ভাল পাইছিল। আৰু মিকিৰ নামৰ সলনি 'আৰলেং' বুলিহে পৰিচয় দিছিল। 'আৰলেং' মানে স্ব-জাতিৰ লোকক বুজোৱা হৈছিল যদিও ইয়াৰ দ্বাৰা বহল অৰ্থত জনসাধাৰণকে বুজোৱা যায়। কাৰ্বিসকলৰ লিখিত বুৰঞ্জী বা ইতিহাস পোৱা নাযায়। যদিও 'মিকিৰ' নামটো জনশ্ৰুতিসমূহৰ পৰা কিছু জানিব পৰা যায়।

কাৰ্বিসকল মূলতঃ কৃষিজীৱী। ভৈয়ামত বাস কৰা কাৰ্বিসকলে আহু আৰু শালি দুয়োবিধ খেতি কৰে। শাক-পাচলি, মাঁকে, কচু, জালুক, বেঙেনা, লাউ আদিৰ খেতিও তেওঁলোকে নিষ্ঠাৰে কৰে। অসমীয়া সমাজত প্ৰচলিত ন-খোৱা উৎসৱৰ দৰে কাৰ্বি সমাজতো 'নৱান', 'আকেথে অনৱান' আদি উৎসৱ খেতি চপোৱাৰ পাছত পালন কৰা হয়। কাৰ্বিসকলে আদিম অৱস্থাৰে পৰা ঐশ্বৰিক শক্তিৰ ওপৰত গভীৰভাৱে বিশ্বাস কৰি আহিছে। সেয়েহে যিকোনো খাদ্য খোৱাৰ আগতে অথবা কোনো পূজা-পাৰ্বনত ভগবানৰ নামত অলপ খাদ্য অৰ্পণ নকৰাকৈ খাদ্য নাখায়। এই প্ৰথাক 'থেকাৰ কিবি' বুলি কোৱা হয়। 'থেকাৰ'ৰ অৰ্থ উৎসৰ্গিত দ্ৰব্য আৰু কিবিৰ অৰ্থ ৰখা বা পালন কৰা।

কাৰ্বি সমাজে কুকুৰা চৰাই অবিহনে জীৱন নিৰ্বাহৰ কথা ভাবিব নোৱাৰে। যদিও কুকুৰা চৰাই অসমীয়া সমাজ জীৱনৰ অংগ নহয় তথাপি বিহুগীতত তাৰ উল্লেখ পোৱা যায়।

'ইটো পৰ্বতত কুকুৰা কাটিলো
সিটো পৰ্বতত তেজ।'

কাৰ্বিসকলে বাৰটা মাহত তেৰটা উৎসৱ পালন কৰা দেখিবলৈ পোৱা যায়। পাহাৰী কাৰ্বিসকলে বিহু পালন নকৰিলেও ভৈয়ামৰ কাৰ্বিসকলে ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু পালন কৰা দেখিবলৈ পোৱা যায়। তেওঁলোকৰ সমাজত বিহুক 'দমাহী' বুলি কোৱা হয়। ব'হাগ বিহুক 'আকেথে দমাহী' আৰু মাঘ বিহুক 'দোমাহী হনজেগ' বুলি কোৱা হয়। অসমীয়া সমাজত যেনেকৈ 'নামঘৰৰ আৰ্হি' দেখিবলৈ পোৱা যায়, সেই নামঘৰ কাৰ্বি সমাজৰ ডেকাচাঙৰ আৰ্হিত স্থাপন কৰা হৈছে বুলি ড° বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰি গৈছে। অসমীয়াই যেনেকৈ ব্ৰহ্মপুত্ৰ নৈখনক সেৱা কৰে ঠিক সেইদৰে কাৰ্বিসকলে কপিলী নৈখনকো তামোল-পাণ দি সেৱা কৰা দেখিবলৈ পোৱা যায়।

কাৰ্বি সমাজত বহুতো ৰীতি-নীতি দেখিবলৈ পোৱা যায়। কাৰ্বি সমাজৰ পৰম্পৰাগতভাৱে চলি অহা এটা ৰীতি হ'ল নিজৰ মামাৰ ছোৱালীকহে বিয়া কৰাব পাৰে। মতবাদ অনুসৰি গম পোৱা যায় যে এখন দেশত এজন ৰজাৰ (বাংঠৈ) এজনী ছোৱালী আৰু এজন ল'ৰা আছিল। আনহাতে

ৰজাজনৰ ভনীয়েকৰো এজন ল'ৰা আছিল। ৰজাৰ ছোৱালীজনী আৰু ভাগিন ল'ৰাটোৱে সকৰেপৰা কোনোদিনে এৰা-এৰি নহৈছিল। য'ত যায় দুয়ো একেলগে যায়। ৰজাই বহুদিনৰ আগৰ পৰাই সিহঁতৰ চাল-চলন লক্ষ্য কৰি আহিছিল। এনেদৰে ল'ৰা-ছোৱালীহাল লাহে লাহে ডাঙৰ হৈ আহিল। তথাপিতো তেওঁলোক দুজনৰ মাজত একেলগে থকা অভ্যাসৰ কোনো সলনি হোৱা নাছিল। সেয়ে ৰজাৰ মনত বহু চিন্তাই জুমুৰি দি ধৰিছিল। সিহঁত দুটাক কেনেকৈ পৃথক কৰিব পাৰি, নহ'লে বৰ বেয়া কথা হৈ পৰিব বুলি ৰজাই ভয় কৰিছিল। সেয়ে ৰজাজনে বহু ভাবি চিন্তি ৰাজদৰবাৰ মাতিলে। সেই সভাত বিচাৰধৰা, ৰিচ বাংঠে আৰু অক্লেংছাৰ মন্ত্ৰীসকল উপস্থিত হ'ল। বিচাৰধৰাসকলে ৰজাক সম্বোধন কৰি সুধিলে যে, হে ৰাজন, আপুনি বা কি কাৰণত এই ৰাজদৰবাৰ আহ্বান জনালে, আমাক সকলো ভাঙি পাতি বুজাই কওক। ৰজাই সকলোবোৰ কথা বিৱৰি কৈ দিলে। সকলোবোৰ কথা বিৱৰি কোৱাত বিচাৰকসকলে আলোচনা কৰিলে আৰু সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু ক'লে- হে ৰাজন, আপুনি চিন্তা কৰিব নালাগে। যিহেতু ল'ৰা-ছোৱালীহাল এতিয়া প্ৰাপ্তবয়স্ক হৈ পৰিল গতিকে দুয়োৰে বিয়া পাতি দিয়া হওক। লগতে আপোনাৰ পুত্ৰৰো মামাৰ ছোৱালীৰে বিয়া পতাই দিয়া যাওক যাতে আপোনাৰ দুয়ো বংশৰ সম্বন্ধ চিৰযুগমীয়াভাৱে পৰম্পৰা ৰূপত বৰ্তি থাকে। ৰজাই তেওঁলোকৰ মতামত সমৰ্থন জনাই একেটা বিয়াৰ মণ্ডপতে উলহ-মালহেৰে বিয়াৰ আয়োজন কৰি ল'ৰা-ছোৱালীকেইটিৰ বিয়া পতাই দিলে। লগতে সকলো ৰজাৰ বিষয়ববীয়া ৰাইজে আশীৰ্বাদ দৰা-কইনালৈ যাচিলে। তেতিয়াৰ পৰাই কাৰ্বিসকলৰ মাজত মোমায়েকৰ জীয়েকক পেহীয়েকৰ ল'ৰাই বিয়া পতাৰ পৰম্পৰা চলি থাকিল। ইয়াত কাৰ্বিসকলৰ বিচাৰৰ মতে কোনো দায়দোষ নাই বুলি ক'লে। কিন্তু ৰীতি উলংঘা কৰোঁতাক সেই সমাজৰ পৰা এঘৰীয়া কৰি দিয়ে। আজিৰ সমাজতো এই প্ৰথা চলি আছে।

কাৰ্বিসকলে দৈৱিক শক্তিক বিশ্বাস কৰে। সেয়েহে বছৰত এবাৰ গাঁওবাসীৰ মঙ্গলৰ কাৰণে থানপূজা কৰিছিল। কাৰ্বি আংলঙত এই থানপূজাক ৰংকেৰ কাৰ্ছিদম আৰু কামৰূপত দেহাল কাৰ্ছিদম বুলি কোৱা হয়। বছৰটোত যাতে কোনো অপায়-অমঙ্গলে চুব নোৱাৰে তাৰ বাবে এই পূজা কৰা দেখিবলৈ পোৱা যায়। ৰংকেৰ উৎসৱৰ প্ৰধান ভাগটো হ'ল আৰ্নাল ৰংকেৰ। এই পূজা দিনত কৰা হয়। এই পূজাই উৎসৱমুখৰ কৰি তোলে।

অসমীয়া সমাজ-সংস্কৃতিত প্ৰচলিত বহুতো শব্দ সময়ৰ সোঁতত কাৰ্বি সমাজৰ শব্দ ভাণ্ডাৰত স্থান দখল কৰিবলৈ সক্ষম হ'ল। আনকি অসমীয়া জনজাতিৰ অতিকে আদৰৰ গামোচাখনো কাৰ্বি সমাজলৈ গৈ ক্ৰমছা ৰূপ লৈ তেওঁলোকৰ লাওপানী, হৰৰ স'তে পৰিচিত হ'ল। এনেদৰে অজানিতে সময়ৰ সোঁতত অসমীয়া সমাজ আৰু কাৰ্বিসমাজ সমন্বয়ৰ বাঘজৰীৰে বান্ধ খাই পৰিল। ♦

মুঠতে ক'ব পাৰি যে অসমত বসবাস কৰি অহা কাৰ্বি জনগোষ্ঠীয়েও সমন্বয়ৰ আদৰ্শৰে লুইতপৰীয়া সংস্কৃতি বৰ্ণাঢ্য ৰূপত প্ৰতিষ্ঠা কৰাত অৰিহণা যোগাই আহিছে।

*প্ৰসংগ পুথি ঃ*

*১/ কাৰ্বি সমাজৰ স্মৃতিগ্ৰন্থ 'হেমফু' ২০১০, সভাপতি ঃ শ্ৰীসতীশ টেৰণ, সম্পাদক ঃ শ্ৰীঅতুল টেৰণ আৰু শ্ৰীৰজিন টেৰণ।*

*২/ কাৰ্বি স্মৃতিগ্ৰন্থ 'হেমফু', ২০১৪, সম্পাদিকা ঃ শ্ৰীস্মৃতিৰেখা কাঠাৰপী*

*Propound: Sri Krishnamamoni Bangthai Timung.* ♦♦

বিষয়

অর্থনীতি/প্রকৃতি/
পর্যটন

# মায়ঙৰ কৃষি-অৰ্থনীতি

বৰিন কুমাৰ কলিতা
মূৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

১৯৮৯ বৰ্ষত গঠিত হোৱা মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত মন্ত্ৰপ্ৰসিদ্ধ মায়ং অৱস্থিত। মায়ং নামেৰে মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত 'মায়ং উন্নয়ন খণ্ড' অৱস্থিত। ইয়াৰ আয়তন ৫৭,২১১ হেক্টৰ ভূমি। মায়ং উন্নয়ন খণ্ডৰ উত্তৰত দৰং জিলা, পূবত তেতেলীয়া মৌজা, দক্ষিণত কামৰূপ (মহানগৰ) জিলা আৰু মেঘালয় ৰাজ্য আৰু পশ্চিমত প্ৰাগজ্যোতিষপুৰ উন্নয়ন খণ্ড অৱস্থিত। মায়ং উন্নয়ন খণ্ডৰ অন্তৰ্গত ৬ খন মৌজা হ'ল মায়ং, পকৰীয়া, নিজ ঘগুৱা, মনহা, গোভা আৰু উত্তৰখোলা মৌজা। গোটেই উন্নয়ন খণ্ডটোৰ গাঁৱৰ সংখ্যা ২৩৬ খন আৰু ইয়াত ২৭ খন গাঁও পঞ্চায়ত আছে। ২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি উন্নয়ন খণ্ডটোৰ জনসংখ্যা হ'ল ৩,০৮,০৭২ জন। ইয়াৰে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ সংখ্যা ক্ৰমে ৭০,৯৯২ আৰু ৪৪,২৪৩ জন।

এই অঞ্চলৰ লোকৰ প্ৰধান জীৱিকা কৃষি। পলসুৱা ভূমি আৰু সেমেকা জলবায়ুৱে গোটেই অঞ্চলটো শস্য-শ্যামলা কৰি ৰাখিছে। মহাবাহু ব্ৰহ্মপুত্ৰ নদ ইয়াৰ উত্তৰেৰে বৈ গৈছে। বাৰিষাকালত কৃষিভূমিবোৰ জলমগ্ন হৈ সাৰুৱা হৈ পৰে। অঞ্চলটোত জলাশয়ৰ সংখ্যাও অধিক। ধান এই অঞ্চলৰ প্ৰধান শস্য যদিও মাকৈ, মৰাপাট, সৰিয়হ, বাদাম, কুহিয়াৰ, তিচি, তিল, মাহ, ঘেহু, আলু, বিভিন্ন ধৰণৰ শাক-পাচলি আদিও যথেষ্ট পৰিমাণে উৎপন্ন হয়।

গ্ৰীষ্মকালীন ধান উৎপাদনত এই অঞ্চল যথেষ্ট উন্নত। বড়ো ধান এই অঞ্চলত বিজ্ঞানসন্মতভাৱে কৰা হয়। গ্ৰীষ্মকালীন ধানৰ ভিতৰত বিপ্লৱ, পংকজ ৫১৬, ৰঞ্জিত আদি প্ৰধান। বিভিন্ন প্ৰজাতিৰ বড়ো ধানসমূহ পুহ-মাঘ মাহত ৰুই ব'হাগ-জেঠ মাহত চপোৱা হয়। অৱশ্যে এইবিধ ধানৰ প্ৰতি বিঘা মাটিৰ উৎপাদন খৰচ প্ৰচুৰ। গড় উৎপাদন বিঘাই প্ৰতি দহৰ পৰা বাৰ কুইন্টল। হালবোৱা, ধানৰোৱা, নিৰনি দিয়া, জলসিঞ্চন কৰা, সাৰ-ঔষধ আদি দিয়া আৰু শেষত চপোৱা আটাইবোৰ পদক্ষেপত যথেষ্ট খৰছ হয়। চৰকাৰী জলসিঞ্চনৰ আঁচনি নথকা হেতুকে চোবেলো টিউব ওৱেলৰ দ্বাৰা জলসিঞ্চন কৰিবলগা হোৱা হেতুকে খৰচ যথেষ্ট হয়। অঞ্চলটোত নিয়ন্ত্ৰিত বজাৰৰ অভাৱ হেতুকে কৃষকসকলে শস্যৰ উপযুক্ত দাম পোৱাৰ পৰা বঞ্চিত হৈ আহিছে।

গোটেই অঞ্চলটো বানবিধ্বস্ত হোৱাৰ বাবে শালি ধানৰ খেতি খুব কম। তথাপি বানপানীৰ প্ৰকোপৰ পৰিমাণ কম হ'লে ঠায়ে ঠায়ে শালি ধানৰ খেতি দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত এই অঞ্চলত নতুনকৈ দেখিবলৈ পোৱা এবিধ শস্য হ'ল মাকৈ। মাকৈ খেতি বড়ো ধানৰ সময়তে সিঁচা হয় আৰু চপোৱাও হয়। বড়ো ধানৰ তুলনাত এই শস্যবিধ জনপ্ৰিয়তাৰ কাৰণ হ'ল মাকৈ খেতি বড়ো ধানৰ খেতিৰ দৰে তদাৰক কৰিব নালাগে। জলসিঞ্চনৰ ব্যৱস্থা দুইৰ পৰা তিনিবাৰৰ ভিতৰত কৰিলে হয়। উৎপাদনৰ ফালৰ পৰাও বড়ো ধানতকৈ লাভজনক। বৰ্তমান মাকৈ খেতি অঞ্চলটোত নগদী শস্য হিচাপে বিবেচিত হৈছে। মাকৈৰ লগতে বাদামৰ খেতিও অতিকৈ জনপ্ৰিয়। সৰিয়হ এই অঞ্চলৰ এবিধ প্ৰধান শস্য। বানপানী শুকাই যোৱাৰ পিচতে সাৰুৱা ভূমিবোৰত বিজ্ঞানসন্মতভাৱে সৰিয়হ খেতি কৰা হয় আৰু বৰোধান ৰোৱাৰ আগে আগে ইয়াক চপোৱা হয়। উৎপাদন সন্তোষজনক। সৰিয়হ সিঁচাৰ পিছত বৰষুণ হ'লে ভাল। সৰিয়হ ফুলাৰ পিছত বৰষুণৰ প্ৰয়োজন কম। সৰিয়হ ফুলাৰ সময়ছোৱাত অঞ্চলটোত য'লৈকে চকু যায় কেৱল হালধীয়া আৰু হালধীয়া ৰংহে চকুত পৰে। অঞ্চলটোৰ সৰহসংখ্যক

লোকে নিজ ভূমিত উৎপাদিত সৰিয়হৰ পৰা হোৱা মিঠাতেল ব্যৱহাৰ কৰে। এই অঞ্চলৰ সৰিয়হৰ ওপৰত নিৰ্ভৰ কৰি অঞ্চলটোত ঠায়ে ঠায়ে মিঠাতেল উদ্যোগ গঢ়ি উঠিছে। সৰিয়হ খেতিৰ অন্য এক গুৰুত্বও আছে। এইবিধ শস্য চপোৱাৰ পিছত বিক্ৰী কৰি পোৱা ধন বৰোধানৰ খেতিত দুখীয়া কৃষক বাইজে বিনিয়োগ কৰাৰ সুবিধা লাভ কৰি আহিছে। অৱশ্যে সৰিয়হ চপোৱাৰ সময়ত যথেষ্ট দাম কমি থাকে। দুখীয়া কৃষকসকলে অধিক দামৰ আশাত তেওঁলোকৰ উৎপাদিত শস্য সাচি ৰাখিবলৈ অপাৰগ। অঞ্চলটোৰ অন্যান্য শস্যৰ ভিতৰত মৰাপাট, কুঁহিয়াৰ, তিচি, শাক-পাচলি, কল, নাৰিকল, তামোল-পাণ আদি প্ৰধান। শাক-পাচলিৰ বতৰত বজাৰবোৰ শাক-পাচলিৰে ভৰি পৰে। দামো কম হয়।

মাছ উৎপাদনত এই অঞ্চল বিশেষভাৱে উল্লেখযোগ্য। অঞ্চলটো বানবিধ্বস্ত হোৱাৰ লগতে অসংখ্য জলাশয়ৰে ভৰা। স্বাভাৱিকতে মাছ উৎপাদনত বিখ্যাত। পুখুৰী খান্দি মাছ পোহাৰ ব্যৱস্থাও অনুশীলন হৈ আহিছে। অঞ্চলটোত মাছ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰিয়ে জাগীৰোডত শুকান মাছৰ বৃহৎ ব্যৱসায় গঢ়ি উঠিছে।

গো-পালন এই অঞ্চলৰ প্ৰায় সংখ্যক লোকৰে অন্য এটা জীৱিকা। থলুৱা গৰু বহুতৰে ঘৰত আছে। তদুপৰি কিছুসংখ্যক লোকে ব্যৱসায় ভিত্তিত দুগ্ধ উৎপাদনৰ বাবে গো-পালন কৰি আহিছে। ব্যৱসায় ভিত্তিত গাহৰি পালন, ছাগলী পালন, ব্ৰয়লাৰ ফাৰ্ম কিছুসংখ্যক লোকৰ জীৱিকা হিচাপে চিহ্নিত হৈ আহিছে। হাঁহ-পাৰ ঘৰে ঘৰে থকা দেখা বুলি কলেও বঢ়াই কোৱা নহ'ব।

ব্যৱসায়-বাণিজ্যত অঞ্চলটো যথেষ্ট পিছপৰা। কৃষিজাত সামগ্ৰীৰ দাম নিম্ন কিন্তু উদ্যোগজাত সামগ্ৰীসমূহৰ দাম উচ্চ। কৃষিৰ সৈতে জড়িত কিছু সমস্যা থকা হেতুকে অঞ্চলটোৰ কৃষকসকল অতিকৈ দুখীয়া। প্ৰায়বোৰ কৃষি আধুনিক ধৰণে কৰা হয় যদিও মূলধনৰ অভাৱ, জলসিঞ্চনৰ অভাৱ, চপোৱা শস্য ঘৰত আনিবলৈ আৰু ঘৰৰ পৰা বজাৰলৈ আনিবলৈ সুপৰিবহণ ব্যৱস্থাৰ অভাৱ, নিয়ন্ত্ৰিত বজাৰৰ অভাৱ আদি প্ৰধান। কেইবাটাও বেংকৰ শাখা অঞ্চলটোত আছে যদিও সেইকেইটা জনসংখ্যা হিচাপে যথেষ্ট নহয়। বেংকৰ আৰু শাখাৰ প্ৰয়োজন আছে। থকা শাখাসমূহেও দুখীয়া কৃষকক ঋণ দিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। ঋণ পাওতাসকলেও সময়মতে ঋণ পৰিশোধ কৰিবলৈ ইচ্ছা নকৰে বা কৃষি ঋণ বেলেগ উদ্দেশ্যত খৰচ কৰা বাবে ঋণ পৰিশোধ কৰিবলৈ অপাৰগ। বহুতো কৃষকে মহাজন, ব্যৱসায়ী বা গোটসমূহৰ পৰা ঋণ গ্ৰহণ কৰে য'ত সুদৰ হাৰ অতি উচ্চ। বেংকৰ শাখা বৃদ্ধি আৰু বেংকৰ সদিচ্ছাই মূলধনৰ অভাৱ দূৰ কৰি কৃষকসকলক চহকী কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

পৰিবহণ সমস্যাই কৃষকক শস্যৰ উচিত দাম পোৱাৰ পৰা বঞ্চিত কৰি আহিছে। পথাৰবোৰৰ মাজে মাজে ৰাস্তা নথকা হেতুকে চপোৱা শস্য ঘৰলৈ অনাৰ বাবে ম'হৰ গাড়ী, আনকি নাও ব্যৱহাৰ হৈ আহিছে। তদুপৰি শস্যবোৰ বজাৰলৈ অনাৰ ক্ষেত্ৰত কৃষকসকল একেই সমস্যাৰ সন্মুখীন হৈ আহিছে। বানপানীৰ সময়ত পৰিবহণ খৰচ বেছি হোৱা বাবে ব্যৱসায়ীসকলে কৃষকক শস্যৰ দাম কমকৈ দিয়ে। বছৰৰ বাৰ মাহে পৰিবহণ কৰিব পৰা বাট-পথৰ অভাৱ দূৰ হ'লে কৃষক সমাজে নিশ্চয় শস্যৰ উপযুক্ত দাম পাব।

এই অঞ্চলৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদী, পকৰীয়া উপনৈ, দক্ষিণে কলং সুঁতি বৈ যোৱাৰ উপৰি অঞ্চলটোৰ মাজভাগত বিভিন্ন সৰু—ডাঙৰ জলাশয় আছে। তথাপি কৃষিভূমিৰ বাবে জলসিঞ্চনৰ অভাৱ। ডিপ্ৰাং, বহা-বৰঝাৰী অঞ্চলত কলং নদীৰ পৰা উত্তোলক জলসিঞ্চন পদ্ধতিৰে কৃষিভূমিত জলসিঞ্চন কৰি অহা হৈছে। বাকী অঞ্চলত কৃষকসকলে নিজৰ প্ৰচেষ্টাত কৃষিভূমিত জলসিঞ্চন কৰি আহিছে। চৰকাৰী জলসিঞ্চন আঁচনি বৃদ্ধি পালে কৃষকসকল উপকৃত হ'ব।

নিয়ন্ত্ৰিত বজাৰ য'ত শস্যৰ দাম পূৰ্ব-নিৰ্ধাৰিত হৈ থাকে, য'ত বিক্ৰী নোহোৱা শস্য মজুত কৰি ৰাখিবলৈ উপযুক্ত শীত-তাপ নিয়ন্ত্ৰিত ঘৰ থাকে, ডাকঘৰ, বেংকৰ শাখা, সঠিক জোখ-মাখৰ ব্যৱস্থা থাকে অঞ্চলটোত তাৰে অভাৱ পৰিলক্ষিত হৈ আহিছে। নিয়ন্ত্ৰিত বজাৰৰ অভাৱত কৃষকসকলে কম দাম হ'লৈও শস্য ঘূৰাই নিনি কম দৰতে ব্যৱসায়ীৰ ওচৰত বিক্ৰী কৰে। কেৱল নিয়ন্ত্ৰিত বজাৰেহে কৃষকক শস্যৰ উপযুক্ত দাম পোৱাত সহায় কৰিব।

কেৱল মায়ং উন্নয়ন খণ্ডতে নহয়, সমগ্ৰ অসম তথা ভাৰতবৰ্ষতে কৃষকসকল দুখীয়া। বেছিভাগ কৃষক অশিক্ষিত। কৃষকসকলক মূল্য নিদিয়া বাবে শিক্ষিত লোকসকল কৃষিকৰ্মৰ প্ৰতি আকৰ্ষিত নহয়। মহামানৱ মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৱে কোৱাৰ দৰে ভাৰতবৰ্ষৰ উন্নতি হ'ব লাগিলে ভাৰতবৰ্ষৰ গাঁওসমূহৰ উন্নতি হ'ব লাগিব, তাত বাস কৰা কৃষকসকলৰ উন্নতি হ'ব লাগিব। স্বাধীনতাৰ ৭০ বছৰ পিছতো কিন্তু সেইটো হৈ নুঠিল।

মায়ং উন্নয়ন খণ্ডৰ প্ৰায় ৯০% লোক কৃষিজীৱী কিন্তু

দুখীয়া। দুখীয়া কৃষকে আধুনিক পদ্ধতিৰে কৃষিকৰ্ম সমাধান কৰিব পৰা নাই। আধুনিক তথা বিজ্ঞানসন্মতভাৱে কৃষি কৰিব নোৱাৰিলে উৎপাদন যথেষ্ট নহয়। উৎপন্নৰ পৰিমাণৰ লগত যিহেতু আয়ৰ সম্পৰ্ক আছে, গতিকে তেওঁলোকৰ আয় নিম্ন। নিম্ন আয়ৰ লোকে সঞ্চয় কৰিবলৈ অপৰাগ হয়। সঞ্চয় কম হ'লে বিনিয়োগো কম হয়। বিনিয়োগৰ লগত আকৌ আয়ৰ সম্পৰ্ক আছে। গতিকে দুখীয়া কৃষকসকলে দৰিদ্ৰতাৰ পাকচক্ৰত সোমাই আছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁলোকক সুলভ বা ৰেহাই মূল্যত পাৱাৰটিলাৰ বা ট্ৰেক্টৰ, জলসিঞ্চনৰ আহিলাপাতি, স্প্ৰে মেছিন, মৰণা মৰা যন্ত্ৰ আদিৰ যোগান ধৰিব লাগিব। চৰকাৰী বহু আঁচনিৰ পৰা হিতাধিকাৰী বঞ্চিত হোৱাৰ বহু উদাহৰণ আছে। চৰকাৰী বীজৰ যোগানৰ পৰা ধানৰ থোক নেমেলাৰ বাতৰি আমি নিশ্চয়কৈ শুনিছো। এনেবোৰ খেলিমেলি দূৰ কৰিব পাৰিলে কৃষকসকল নিশ্চয় উপকৃত হ'ব।

সম্প্ৰতি শিক্ষিত যুবক-যুৱতীসকলে আত্মসহায়ক গোটৰ দ্বাৰা কৃষিকৰ্মত নিয়োজিত হ'বলৈ লৈছে। এইটো শুভ লক্ষণ। সমগ্ৰ কৃষিকৰ্ম যেতিয়া শিক্ষিত লোকসকলৰ দ্বাৰা পৰিচালিত হ'ব, ক্ষুদ্ৰ কৃষিভূমিবোৰ আত্মসহায়ক গোটসমূহৰ দ্বাৰা একত্ৰিত হ'ব আৰু বেংকৰ শাখাসমূহেও বাধ্য হৈ কৃষকক ঋণ দিবলৈ ল'ব, কৃষকৰ উন্নতি হ'বই হ'ব। ♦♦

# অসমৰ গ্ৰাম্য অৰ্থনীতি আৰু গান্ধী দৰ্শন

জিতেন চন্দ্ৰ কলিতা
সহকাৰী অধ্যাপক, ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান, গুৱাহাটী

মহামানৱ মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষৰ বিকাশ ও উন্নয়নৰ বাবে কৰা বিভিন্ন আন্দোলনসমূহৰ ভিতৰত গ্ৰাম্য অৰ্থনীতি বিকাশৰ আন্দোলন সমূহৰ ভিতৰত আছিল এক বিশেষ গুৰুত্বপূৰ্ণ আন্দোলন। গান্ধীজীৰ গ্ৰাম্য অৰ্থনীতি দৰ্শনত কৈছিল -"The quality of life in the village should be same, if not better than, that in urban habitationas. The village people should ably self sufficient and self reliant but also participate in the matter of their own development"

এনে দৰ্শনৰ ওপৰত ভিত্তি কৰিয়ে স্বাধীন ভাৰতত এতিয়ালৈ গ্ৰাম্য অৰ্থনীতিত বিকাশৰ বাবে অলেখ আঁচনি কাৰ্যকৰী কৰা হৈছে। তেনে আঁচনিসমূহৰ কেইখনমান আঁচনিৰ নাম উল্লেখ কৰা হ'ল।

- নিশ্চিত গ্ৰাম্য উন্নয়ন আঁচনি।
- নিশ্চিত নিয়োগ আঁচনি।
- সংহত গ্ৰাম্য উন্নয়ন আঁচনি।
- গ্ৰাম্যাঞ্চলত মহিলা আৰু শিশু সকলৰ উন্নয়ন আঁচনি।
- বিশ্ব খাদ্য আঁচনি।
- অনুন্নত জাতি, ৰোজগাৰ যোজনা।
- বৰ্তমান চলি থকা ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা মিচন ইত্যাদি ইত্যাদি।

উক্ত আঁচনিসমূহৰ কাৰ্যকৰীকৰণ অসমতো কৰা হৈছে। বিভিন্ন পৰ্য্যালোচনা, গৱেষণা, অধ্যয়ন আৰু বাস্তৱ দৃষ্টিকোণৰ পৰা দেখা যায় যে উদ্দেশ্য আৰু লক্ষ্য অনুযায়ী গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ কোনো এক আঁচনিতে সফল হ'ব পৰা নাই। তথ্য অনুযায়ী এই আঁচনিসমূহে মাত্ৰ ৩০ শতাংশহে লক্ষ্য আৰু উদ্দেশ্যত সফল হ'ব পাৰিছে।

আঁচনিসমূহৰ সীমাবদ্ধতা ভুল ধৰণেৰে হিতাধিকাৰী বাছনি কৰা, উপযুক্তভাৱে চোৱাচিতা নকৰা, কাৰ্যকৰী কৰা, বিভাগসমূহ ভ্ৰষ্টাচাৰ, পৰম্পৰাগত উৎপাদন পদ্ধতি, এই অঞ্চলৰ মানুহৰ সহজ উপাৰ্জনৰ মনোবৃত্তি, অনুন্নত অৰ্থনৈতিক আন্তঃগাথনি অবিজ্ঞানসম্মত উৎপাদন প্ৰক্ৰিয়া, অশৃজনীশীলতা, পেছাদাৰিত্বহীন কাম, আৰু চাকৰিমুখী প্ৰৱণতাৰ বাবে অসমৰ গ্ৰাম্য অৰ্থনীতি উন্নত হোৱাৰ সলনি অৱনতিহে হ'ল।

অসমৰ গ্ৰাম্য অৰ্থনীতিৰ মূল ভেটি হ'ল কৃষি। শতকৰা ৭৮ ভাগ মানুহে গ্ৰাম্যাঞ্চলত বাস কৰে। তেনে ক্ষেত্ৰত কৃষিৰ উন্নতি আৰু কৃষিৰ লগত জড়িত উদ্যোগ বা এন্টাৰপ্ৰাইজ সমূহৰ বিকাশ অবিহনে গ্ৰাম্য অৰ্থনীতিৰ বিকাশ আৰু উন্নয়নৰ সম্ভৱ নহয়।

অসম অতীতত এখন অৰ্থনৈতিকভাৱে স্বাৱলম্বন ৰাজ্য আছিল। ১৯৫২ চনৰ তথ্য অনুযায়ী ১৯৫২ চনত ভাৰতবৰ্ষৰ ১৮ ৰাজ্যৰ ভিতৰত অসম অৰ্থনৈতিক স্বাৱলম্বনত তৃতীয় স্থানত আছিল। কিন্তু ২০০৬ চনত কৰা সমীক্ষাত অৰ্থনৈতিক স্বাৱলম্বনত অসম ভাৰতৰ ২৬ ৰাজ্যৰ ভিতৰত ২৩ নং স্থানলৈ অৱনমিত হয়। শেহতীয়া ভাৱে কৰা ২০১৪ চনত অসম একেবাৰে পিছলৈ অৱনমিত হোৱাতো দুৰ্ভাগ্যজনকে নহয় আৰ্চয্যজনকো। বৰ্তমানৰ পৰনিৰ্ভৰশীলতাই অসমৰ অৰ্থনীতিত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। দৈনন্দিন প্ৰয়োজনীয় সকলো সামগ্ৰী, যেনে, চাউল, দাউল, মিঠাতেল, আলু, আটা, গাখীৰ, মাছ, ইত্যাদি কণী, কাপোৰ, ঔষধ, নিৰ্মাণ সামগ্ৰী, ৰাতিপুৱাৰ পৰা ৰাতিলৈ প্ৰয়োজনীয় সকলো সামগ্ৰী অসমে আমদানী কৰে। বৰ্তমান অসমে বছৰি ১১৮৬ কোটি টকাৰ চাউল, ৮৩২ কোটি টকাৰ দাইল, ৮১৫ কোটি টকাৰ খোৱাতেল, ১৯৬ কোটি টকাৰ মাছ, ৩৩৬ কোটি টকাৰ কণীকে ধৰি মুঠ ৪৭৯৪ কোটি টকাৰ সামগ্ৰী আমদানী কৰে। এনে এক অৰ্থনৈতিক পৰিস্থিতিৰ বিষয়ে পৰ্যালোচনা আলোচনা কৰা আৰু উপযুক্ত পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা কৰা নিত্যান্তই প্ৰয়োজনীয়।

জাতিৰ পিতা মহাত্মা গান্ধীজীয়ে ১৯২২ চনত তেখেতৰ অৰ্থনৈতিক গঠনমূলক আধাৰ দাঙি ধৰিছিল। গ্ৰাম্যাঞ্চলত কৃষিৰ লগত সংগতি ৰাখি গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে ক্ষুদ্ৰ বা কুটিৰ উদ্যোগৰ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। গান্ধীজীৰ

দৰ্শনত অৰ্থনৈতিক কাৰ্যৰ পুনৰ মূল্যায়ন আৰু নিয়োগ বৃদ্ধিৰ সুযোগ ধৰা কাৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এনে আদৰ্শৰ ওপৰত ভিত্তি কৰিয়ে স্বাধীন ভাৰত তথা অসমতো গ্ৰাম্যাঞ্চলত কৃষি আৰু কৃষিভিত্তিক উদ্যোগৰ প্ৰসাৰ হৈছিল। উদাহৰণ স্বৰূপে কৃষিৰ সা-সঁজুলি তৈয়াৰ কৰা উদ্যোগ, ঘানীৰ খোৰা তেল উদ্যোগ, বাহ-বেতৰ সামগ্ৰী প্ৰস্তুত উদ্যোগ, গাখীৰ আৰু গাখীৰ সামগ্ৰী (ঘি, মাখন, দৈ, ক্ৰীম) তৈয়াৰ কৰা কাৰখানা, কপাহী কাপোৰ, খাদী পলিভষ্টা, কাহ-পিতলৰ বাচন, এড়ি, পাট, মুগা তৈয়াৰী উদ্যোগ, হস্ততাত, হস্তশিল্প, ৰং দিয়া কাৰ্য, মাহদলা, মৰাপাটৰ সামগ্ৰী, কাঠৰ আচ-বাব পত্ৰ, ধূপকাঠ, চাবোন, চামৰাৰ সামগ্ৰী (জোতা, চপ্পল, বেগ) মাটিৰ বাচন পত্ৰ, কমাৰশাল, সোণৰূপৰ অলংকাৰ, হস্তকাগজ, আতচবাজী, ধানকনা আতাচকী, গৰুগাড়ী, নাওঁ, ফলমূল, সংৰক্ষণ, সুগন্ধী প্ৰস্তুত ইত্যাদি কুটিৰ উদ্যোগসমূহে অসমৰ অৰ্থনীতিত সুদুৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিছিল। এনে উদ্যোগ সমূহত গ্ৰাম্যাঞ্চলৰ নিবনুৱাই অনায়াসে সংস্থাপন পাব পাৰিছিল। ফলত গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক স্বাৱলম্বিতাই এখন সুস্থ সৰল অসমৰ প্ৰতিচ্ছবি দাঙি ধৰিব পাৰিছিল। সেয়েহে কোৱা শুনা যায় যে পুৰণি অসমৰ মানুহে মাত্ৰ দুবিধ নিত্য প্ৰয়োজনীয় সামগ্ৰী নিমখ আৰু কেৰাচিনৰ বাদে সমগ্ৰ প্ৰয়োজনীয় সামগ্ৰী নিজে তৈয়াৰ কৰিছিল বা নিজ অঞ্চলতে উৎপাদিত হৈছিল।

অতীতৰ পূৰ্ণ অৰ্থনৈতিক স্বাৱলম্বনৰ ৰাজ্য এখনে বৰ্তমান পৰমুখাপেখী আৰু অৰ্থনৈতিকভাবে ভাৰতৰ ভিতৰতে একেবাৰে পিছপৰা ৰাজ্য। গান্ধীজীৰ ভাৰত গঢ়া আন্দোলনত কেৱল ৰাজনৈতিক স্বাধীনতাৰ কথাকে কোৱা নাছিল। অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতাৰ মূল্য নিৰূপণ সাৰশূন্য। সেয়েহে গান্ধীজীৰ আদৰ্শৰ অৰ্থনৈতিক আন্দোলনৰ পুনৰোদ্ধাৰ কৰাৰ প্ৰয়োজনীয়তা আহিছে। বৰ্তমান যুগ গোলকীকৰণৰ যুগ। মুক্ত অৰ্থনৈতিক ব্যৱস্থা বিশ্বৰ সকলো ৰাষ্ট্ৰই মানি লৈছে। ৰাজহুৱা খণ্ডৰ উৎপাদনতকৈ ব্যক্তিগত খণ্ডৰ উৎপাদন বা সেৱাৰ পাদুৰ্ভাৱ হৈছে। ফলত গুণগত সামগ্ৰী বা সেৱাই বজাৰত গুৰুত্ব পাইছে। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ সৃষ্টি হৈছে। এনে বজাৰত বৰ্তি থাকিবলৈ উৎপাদক বা সেৱা যোগান ধৰোতাসকলৰ মানসিক চিন্তাধাৰা পৰিবৰ্তন কৰাৰ প্ৰয়োজন হৈছে। প্ৰতিযোগিতামূলক বজাৰখনত ফেৰ মাৰিবলৈ উৎপাদসকল, কৃষিতেই হওক বা ক্ষুদ্ৰ উদ্যোগতে হওঁক পেছাদাৰী হ'ব লাগিব। আধুনিক সামগ্ৰী প্ৰস্তুত কৰি যোগান ধৰিবলৈ কম খৰচত অধিক উৎপাদন কৌশল আয়ত্ত কৰিব লাগিব। গুণগত সামগ্ৰী প্ৰস্তুত কৰিবলৈ বিশ্ব বজাৰ অধ্যয়ন কৰি উপযুক্ত কৌশল আৰু প্ৰযুক্তি গ্ৰহণ কৰিব লাগে। বজাৰ আৰু গ্ৰাহকৰ লগত সংগতি ৰাখি উদ্যমিতা উন্নয়নৰ কৌশলৰ আৰিৰে নিত্য নতুন সামগ্ৰী প্ৰস্তুত কৰিব লাগে। গ্ৰাহকৰ ৰুচিৰ আৰু গ্ৰাহকৰ প্ৰকাৰ অনুযায়ী সামগ্ৰী ক্ৰয় কৰিব পাৰে। এনে পদক্ষেপ গ্ৰহণ কৰিব পাৰিলে গান্ধীজীৰ অৰ্থনৈতিক উন্নয়নৰ সপোন বাস্তৱমুখী কৰি তুলিব পাৰি। বৰ্তমানৰ নিবনুৱা সমস্যাৰ ভয়াবহতাই ৰাজ্য তথা দেশ জুৰি নিয়োগ প্ৰত্যাহ্বানমূলক হৈছে। প্ৰত্যোক নিয়োগ ব্যৱস্থা নাই বুলিব পাৰি। উচ্চ শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীসকলো নিবনুৱা হৈ পৰিছে। সেয়েহে ডাক্তৰ, অভিযন্তা, উকিল, চাকৰিয়াল, ব্যৱসায়ী, ঠিকাদাৰ, এজেন্ট, কৃষক আদি সকলো কাম-কাজতে উদমশীলতাৰে কাৰ্যৰ পূণ মূল্যায়ন কৰিব লাগে; সৃষ্টিশীল আৰু নতুনত্বৰ সহায়ত বৃত্তিমূলক কাৰ্যসমূহৰ পুনৰ মূল্যায়ন কৰি সমাদৰ বৃদ্ধি কৰিব লাগে সমাজ ব্যৱস্থাত বৰ্তি থাকিবলৈ পৰম্পৰাগত কৌশলসমূহ পুনৰ উদ্ভাৱন কৰাই আধুনিক বজাৰ ব্যৱস্থাৰ লগত খাপ খুৱাই ল'ব লাগে আৰু সামগ্ৰীৰ আধুনিকীৰণ কৰি কিন্তু আজিৰ আধুনিক অসমত গান্ধীজীৰ দৰ্শনৰ ভিত্তিত গঢ় লৈ উঠা কুটীৰ উদ্যোগ সমূহৰ মৃতপ্ৰায় অৱস্থা। খাদী, পাট, মুগা কাহ-পিতলৰ বাচন, বাহ-বেত আদি কৰি কেইবিধ কুটিৰ উদ্যোগৰ বাদে বেছিভাগেই নিশ্চিহ্ন। সহজাত পদ্ধতি, আওপুৰণি উৎপাদন প্ৰক্ৰিয়া আৰু উৎপাদক সকলৰ অপেছাদাৰীতা অনা উদ্যামশীল কাৰ্যৰ বাবে যুগ যুগৰ শিল্পই আজি অসমৰ পৰা বিলুপ্তি হৈছে। গ্ৰাহকৰ আধুনিক সামগ্ৰীৰ প্ৰতি আকৃষ্ট, কম দামত বিদেশী সামগ্ৰীৰ পয়োভৰা উৎপাদন তথা অসমীয়া মানুহৰ কৰ্ম সংস্কৃতিৰ বিলুপ্তি, উদ্যোগৰ লগত জড়িত আৰু প্ৰয়োজনীয় কেঁচামাল আৰু বনুৱাৰ অভাৱে সাতামপুৰুষীয়া অসমৰ কুটিৰ উদ্যোগসমূহৰ ৰুগ্ন অৱস্থাই দেখা দিলে। ফলত মানুহৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ বাহিৰৰ পৰা আমদানী হ'বলৈ ধৰিলে। আৰু ফলস্বৰূপে স্থানীয় সা-সামগ্ৰীৰ গুৰুত্ব বঢ়াব লাগে। উল্লেখিত ধৰণৰ অৰ্থনৈতিক কাৰ্যৰে ৰাজ্যখনৰ অৰ্থনৈতিক স্বাৱলম্বনৰ পথ পুনৰুদ্ধাৰ হ'ব বুলি মত প্ৰকাশ কৰিব পাৰি আৰু গান্ধীজীৰ অৰ্থনৈতিক দৰ্শনৰ পথ বাস্তৱিত কৰিব পাৰি। এনে ক্ষেত্ৰত ৰাজ্যখনৰ বুদ্ধিজীৱি, বিশেষজ্ঞ, সমাজ-সংগঠক, বিজ্ঞানী, সমাজ সচেতক আদি সকলোৱে ভূমিকা গ্ৰহণ কৰিব পাৰে।
◆◆

# জৈৱ স্পৰ্শকাতৰ অঞ্চল ঃ চৰকাৰৰ হেমাহিত বিধ্বস্ত

**মলয় বৰুৱা**
প্ৰকৃতিবিধ, গুৱাহাটী

ৰাষ্ট্ৰীয় বন্যপ্ৰাণী নীতি অনুসৰি ২০০২ চনৰ জানুৱাৰী মাহত ভাৰতীয় বন্যপ্ৰাণী পৰিষদৰ ২১ সংখ্যক বৈঠকত 'ৱাইল্ড লাইফ কনজাৰভেচন ষ্ট্ৰেটিজি ২০০২' গৃহীত হৈছিল। ইয়াতে স্থিৰ কৰা হৈছিল যে পৰিৱেশ সুৰক্ষা আইনৰ ধাৰা তিনি (ডি) অনুসৰি ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যৰ চৌপাশে দহ কিঃমিঃ অঞ্চল 'ইক' ফ্ৰেজাইল' অঞ্চল বুলি ঘোষণা কৰিব লাগে। ইয়াৰ পিছত পৰৱৰ্তী পদক্ষেপত 'ৰাষ্ট্ৰীয় বন্যপ্ৰাণী একচন প্লেন ২০০২-২০১৬'ৰ অধীনত সকলো বন্যপ্ৰাণী কৰিডৰ ১৯৮৬ চনৰ পৰিৱেশ সুৰক্ষা আইনৰ গণ্ডীত 'ইকলজিকেল ফ্ৰেজাইল' ঘোষণা কৰিব লাগে। পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল ধাৰণাৰ মূলতে আছে সংৰক্ষিত অঞ্চলসমূহৰ শুদ্ধিকৰণ কৰি ইয়াৰ যথাযথ পৰিৱেশ বৰ্তাই ৰখা আৰু বাফাৰ জ'ন তথা কৰিডৰসমূহক শক্তিশালী হ'বলৈ সুযোগ দিয়া। এইদৰে ঘোষিত অঞ্চলৰ ভিতৰত সকলোধৰণৰ খনিজ দ্ৰব্য আহৰণ, জলবিদ্যুৎ শক্তি আহৰণ, বাণিজ্যিকৰণ তথা ৰাজহুৱা উদ্দেশ্যেৰে নিৰ্মাণ কৰিব বিচৰা আন্তঃগাঁথনিমূলক প্ৰকল্প আদি ঘোষিত অঞ্চলৰ ভিতৰত নিষিদ্ধ। যোৱা ২০ আগষ্টত দিল্লীৰ নয়ডাৰ ওখলা পক্ষী অৰণ্যৰ পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল ঘোষণা হোৱাৰ পিছত ই সমগ্ৰ দেশখনৰে দৃষ্টি আকৰ্ষণ কৰিছে। কাৰণ ইয়াৰ ওচৰে-পাজৰে হাজাৰ হাজাৰ আধুনিক ফ্লেট নিৰ্মাণৰ বাবে আগধন লোৱা হৈ আছিল আৰু তেনে অৱস্থাত বহু লোকে বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়া হৈছিল। ২০০৬ চনত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত কোৱা হৈছিল যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে প্ৰতিখন পৰিৱেশ সংৰক্ষিত অঞ্চলৰ বাবে সুকীয়াকৈ 'চাইট স্পেচিফিক' প্ৰস্তাৱ পঠিয়াব লাগিব। ভাৰতত থকা ৫২৬ খন ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত এতিয়ালৈ ৪৫২ টা প্ৰস্তাৱ পঠোৱা হৈছে বুলি কেন্দ্ৰীয় পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ। এতিয়ালৈ সৰ্বোচ্চ প্ৰস্তাৱ পঠিওৱা ৰাজ্যসমূহৰ ভিতৰত আছে মধ্যপ্ৰদেশ আৰ পৰ্যায়ক্ৰমে হিমাচল, মহাৰাষ্ট্ৰ, তামিলনাড়ু আৰু কৰ্ণাটক। আন্দামান নিকোবৰক বাদ দি আন সকলোবোৰ কেন্দ্ৰীয় শাসিত অঞ্চলে এটাকৈ প্ৰস্তাৱ পঠিয়াইছে। উল্লেখযোগ্য যে বৃহৎ ৰাজ্যসমূহে পঠিওৱা প্ৰস্তাৱত পৰিৱেশ স্পৰ্শকাতৰ অঞ্চলৰ বাবে পৰিধিৰ পৰিমাণো যথেষ্ট আহল-বহল। এই সকলোবোৰ প্ৰস্তাৱৰ ভিতৰত এতিয়ালৈ ২৬ খন পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰালয়ে ঘোষণা কৰিছে। এইবিলাকৰ সৰহসংখ্যক আহিছে গুজৰাট, গোৱা, ছিকিম, উৰিষ্যা, হাৰিয়ানা, ঝাৰখণ্ড, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ পৰা।

অসমৰ বন্যপ্ৰাণী অঞ্চলসমূহৰ ভিতৰত কাজিৰঙাৰ পিছতে পবিতৰাত দৰ্শনাৰ্থীৰ গড় হিচাবে হেঁচা সৰ্বাধিক। অথচ পবিতৰাক উচ্চ পদবীধাৰী বিষয়াসকলে মাহী আইৰ দৃষ্টিৰে চোৱা দেখা যায়। সাময়িকভাবে মানসিক সকাহ বা অঙহী-বঙহীক লৈ দিনটো বা এবেলাৰ 'আউটিং' ৰ বাবে তেৰাসকলে পবিতৰাক ব্যৱহাৰ কৰে। পবিতৰাৰ চাৰিওফালে কোনো বৃহৎ উদ্যোগ নথকাটো সুখৰ কথা। পিছে কলংপাৰ, সতীভেটি, বুঢ়ামায়ঙৰ আশে-পাশে বহুবিলাক অবৈধ ইটা-ভাটা গঢ়ি উঠিছে। যাৰ ফলত এইবোৰে পবিতৰাৰ জৈৱ বিচিত্ৰৰ ভাণ্ডাৰ নিঃশেষ কৰাত এদিন হলেও সফল হ'ব। স্থানীয় ৰাইজে এইবোৰৰ বিস্তাৰ, বাধা দিবলৈ, পথ অৱৰোধ, ধৰ্ণা আদিৰ আশ্ৰয় লৈছিল যদিও অসম প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ আইনৰ সুৰুঙাৰ বাবে সম্পূৰ্ণ সফল হোৱা নাই। এনেবোৰ ইটাভাটাক কেন্দ্ৰ কৰি ভৱিষ্যতে আন উদ্যোগ গঢ়ি উঠিলে

পবিতৰাৰ বাবে জৈৱ স্পৰ্শকাতৰ অঞ্চল শক্তিশালীৰূপে গঢ়ি তোলাত বিপক্ষ দলে চলোৱা চক্ৰান্ত সাময়িকভাৱে হলেও সফল হ'লে কৰিবলৈ একো নাথাকিব। আশা ৰাখিছো দাখিল কৰা প্ৰস্তাৱ অনুসৰি কোনো কৰ্তন নকৰাকৈ পবিতৰাই কেন্দ্ৰীয় চৰকাৰৰ পৰা জৈৱ বৈচিত্ৰ অঞ্চল স্বীকৃতি লাভ কৰিব।

কেইখনমান ৰাজ্যই পৰিৱেশ স্পৰ্শকাতৰ অঞ্চলৰ বিষয়ে সঘনাই উদ্বেগ আৰু আশংকা প্ৰকাশ কৰি আহিছিল। এইকেইখন হ'ল— হিমাচল, ৰাজস্থান আৰু গোৱা। এই সন্দেহ নিৰাময় কৰি কেন্দ্ৰীয় চৰকাৰে সঘনাই সোঁৱৰাই দিছিল যে ৰাজ্যসমূহক চাইট স্পেচিফিক প্ৰস্তাৱ দিবলৈ কোৱা হৈ আছে। উচ্চতম ন্যায়ালয়ৰ হুকুম মতে চাইট স্পেচিফিক প্ৰস্তাৱ নিদিয়ালৈকে এনেবোৰ বন্যপ্ৰাণী সংৰক্ষিত অঞ্চলৰ চৌপাশে ১০ কিলোমিটাৰ নিষেধাজ্ঞা বাহাল থাকিব আৰু এই ১০ কিলোমিটাৰ অঞ্চলকে ইক' স্পৰ্শকাতৰ অঞ্চল বুলি গ্ৰাহ্য কৰা হ'ব।

পৰিৱেশ সুৰক্ষাৰ লগত জড়িত ব্যক্তিসকলৰ মতামত এইয়ে যে ৰাজ্যসমূহে হেতালি খেলি এনে প্ৰস্তাৱক গেঠেলা মৰাৰ বিচৰা বাবে যিমান দায়ী কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা নিৰ্দেশাৱলী বা কামৰ বাবে হেঁচাৰ প্ৰভাৱ শামুকীয়া হোৱা বাবেও এই গোটেই কাৰ্যক্ৰমটো অভাৱনীয়ভাৱে পিছুৱাই গ'ল। কিন্তু কেন্দ্ৰীয় মন্ত্ৰালয়ৰ বিষয়াসকলৰ মতে নিয়মাৱলীৰ জটিলতাৰ বাবেহে এইদৰে বিলম্ব হোৱাটো জগৰীয়া।

২০১১ চনত যি নিৰ্দেশাৱলী দিয়া হৈছিল তাত স্পষ্ট কৰি দিয়া আছিল যে বন বিভাগৰ এজন ক্ষেত্ৰপালক, ৰাজহ আৰু পঞ্চায়তীৰাজ বিভাগৰ একোজনকৈ প্ৰতিনিধি আৰু ইক'লজিষ্টক লৈ গঠিত এখন সমিতিয়ে পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল চিনাক্ত কৰিব আৰু ৰাজ্যৰ মুখ্য বনপ্ৰাণী প্ৰতিপালকগৰাকীয়ে ইয়াক পৰিৱেশ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিব।

এইটো প্ৰণিধানযোগ্য যে এন ডি এ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত এই বিষয়বস্তুৰ ওপৰত কাম-কাজ ক্ষিপ্ৰ হৈছিল আৰু এই বছৰ মে' মাহলৈকে ঘোষিত হোৱা ২৬ খন ইক' স্পৰ্শকাতৰ অঞ্চলৰ ভিতৰত ১৮ খন বৰ্তমানৰ চৰকাৰৰ দিনত হৈছে।

যদিও চকুচৰহাসকলে সমালোচনা কৰি কৈছে যে ছিকিমৰ দৰে ৰাজ্যৰ ক্ষেত্ৰত উদ্যোগ আৰু পৰিৱেশৰ ক্ষতিকাৰক উদ্যোগসমূহক সুৰক্ষা গণ্ডীৰ পৰা বেহাই দি বাহিৰত ৰখা হৈছে। আন এটা মহলে বৈষম্যমূলক আৰু তত্তাভুকুতা সিদ্ধান্তবো বিৰোধিতা কৰি সমগ্ৰ বিষয়টো পুনৰ অনিশ্চয়তাৰ বুকুলৈ ঠেলি দিবলৈ বিচৰাটোতহে পৰিৱেশ সচেতন ব্যক্তিসকল কোনোমতে সহমত হ'ব পৰা নাই।

কিছুদিন আগতে দীপৰ বিলৰ বাবে পৰিৱেশ সংবেদনশীল এলেকা গঠনৰ প্ৰস্তাৱিত সভাখন ৰাইজৰ বাধাৰ সন্মুখীন হ'ল বুলি ওলোৱা বাতৰিয়ে ৰাজ্যখনৰ পৰিৱেশ কৰ্মীসকলক বাৰুকৈয়ে জোকাৰি গ'ল। এই কথাটো ভালদৰে অনুধাৱন কৰিব নোৱৰাৰ ফলতে এনে বিড়ম্বনা হ'ল বুলি ভবাৰ থল আছে। ২০০২ চনৰ জানুৱাৰী মাহত ভাৰতীয় বন্যপ্ৰাণী পৰিষদৰ একৈশতম বৈঠকত 'ৱাইল্ড লাইফ কনজাৰভেচন ষ্ট্ৰেটিজি ২০০২' গৃহীত হয়। ইয়াতে স্থিৰ কৰা হৈছিল যে পৰিৱেশ সুৰক্ষা আইনৰ ধাৰা তিনি (ডি) অনুসৰি ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ চৌপাশৰ দহ কিঃমিঃ অঞ্চলক 'ইক' ফ্ৰেজাইল' অঞ্চলৰূপে ঘোষণা কৰিব লাগে। তদানুযায়ী পিছৰ মাহতে কেন্দ্ৰীয় বন আৰু পৰিৱেশ বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান (বন্যপ্ৰাণী)য়ে তেনে অঞ্চলসমূহ চিনাক্ত কৰি দহ কিলোমিটাৰ ব্যাসাৰ্ধ অঞ্চলৰ সবিশেষ জনাবলৈ ক'লে। প্ৰত্যুত্তৰত কেইবাখনো ৰাজ্য চৰকাৰে জনালে যে তেনেবোৰ সংৰক্ষিত অঞ্চলৰ দহ কিলোমিটাৰ ব্যাসাৰ্ধৰ বহু ঠাইত নগৰ-চহৰ বা আন উদ্যোগিক অঞ্চলক চুবগৈ। কিন্তু ৰাজ্যসমূহৰ অসন্তুষ্টি আৰু অসহযোগিতাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় বন্যপ্ৰাণী পৰিষদৰ পৰৱৰ্তী সভাত (১৭-৩-২০০৫) সিদ্ধান্ত ল'লে যে 'ইক' সংবেদনশীল অঞ্চলৰ চিনাক্তকৰণ 'চাইট স্পেচিফিক' আৰু নিষেধাজ্ঞা সম্পৰ্কীয় হোৱাৰ সলনি নিয়মীয়াকৰণ সম্পৰ্কীয় হ'ব। এনে অৱস্থাত গোৱাৰ এটা বেচৰকাৰী সংগঠন 'গোৱা ফাউণ্ডেচন' নামৰ অনুষ্ঠানে উচ্চতম ন্যায়ালয়ত এখন লেখ আবেদন (৪৬০/২০০৪) কৰি বিষয়টো নিষ্পত্তিৰ বাবে হস্তক্ষেপ দাবী কৰে। ন্যায়ালয়ে বিষয়টোৰ শুনানি লৈ নিৰ্দেশ দিয়ে যে ৰাজ্য চৰকাৰসমূহে ২০০৫ চনৰ মে' মাহত ৰাষ্ট্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰালয়ে দিয়া পত্ৰৰ উত্তৰ চাৰি সপ্তাহৰ ভিতৰত দিয়ক আৰু এতিয়াৰ পৰা দহ কিলোমিটাৰৰ ভিতৰৰ পৰিৱেশ জড়িত বিষয়বস্তুৰ নিষ্পত্তিৰ কাৰণে আবেদনসমূহ ভাৰতীয় বন্যপ্ৰাণী পৰিষদলৈ পঠিওৱা হওক। বন্যপ্ৰাণী সংৰক্ষণ আইনৰ ৫(গ) ধাৰাত আছে যে বন্যপ্ৰাণী সংৰক্ষণ সম্পৰ্কীয় আৰু উন্নয়নৰ যাবতীয় কাম কৰাৰ দায়িত্ব সম্পৰ্কে সিদ্ধান্ত নিৰ্ণয় কৰিব বন্যপ্ৰাণী উপদেষ্টা পৰিষদে। আনহাতে ১৯৮৬ চনৰ পৰিৱেশ সুৰক্ষা আইনৰ তিনি নং ধাৰা অনুযায়ী পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ

তথা পৰিৱেশ মন্ত্ৰালয়ক ক্ষমতা দিয়া হৈছে। আনহাতে, আইনখনৰ ৫(১) বিধি অনুযায়ী কেন্দ্ৰীয় চৰকাৰে যিকোনো উদ্যোগৰ অৱস্থিতি আৰু ইয়াৰ জৰিয়তে হোৱা কাম-কাজসমূহৰ প্ৰভাৱ সেই ঠাইৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত কেনেধৰণৰ হৈছে, তাক পৰ্যালোচনা কৰি নিয়ন্ত্ৰণ তথা বাধা প্ৰদান কৰিব পাৰে। ইক' সংবেদনশীল এলেকা ঘোষণা হ'লে সাধাৰণতে সকলো কাম-কাজ তিনি ভাগত বিভক্ত কৰা হয়। নিষেধাজ্ঞামূলক, নিয়মীয়াকৰণ কৰা আৰু অনুমতি বা অনুজ্ঞামূলক। পৰিৱেশ সংবেদনশীল এলেকা গঠন হ'লে তেনে স্থানসমূহৰ উদ্যোগীক প্ৰদূষণ আৰু অবাঞ্ছিত উন্নয়নত বাধা প্ৰদান কৰিব পৰা যায়। চেণ্ট্ৰেল এম্পাৱাৰমেণ্ট কমিটীয়ে যি বনাঞ্চল সম্পৰ্কে উচ্চতম ন্যায়ালয়ক পৰামৰ্শ দিয়ে তেওঁলোকে দহৰ সলনি দুই কিলোমিটাৰ কৰিবলৈ কৈছিল, পিছে ন্যায়ালয়ে বা পৰিৱেশ মন্ত্ৰালয়ে এই পৰামৰ্শ গ্ৰহণ নকৰিলে। পৰিৱৰ্তে চাইট স্পেচিফিক নিৰাপদ জ'ন বা দহ কিলোমিটাৰ এলেকাৰ ভিতৰত উদ্যোগিক কাম-কাজ নিয়ন্ত্ৰণৰ কথাহে কয় যদিহে ইতিমধ্যে সেই ঠাইত ইক' সংবেদনশীল এলেকা গঠন হোৱা নাই।

চাইট স্পেচিফিকৰ উৎকৃষ্ট উদাহৰণ হ'ল দিল্লীৰ গাতে লাগি থকা 'ঔখলা' পক্ষী অভয়াৰণ্য। অৰণ্যখনৰ এফালে দিল্লী আৰু আনফালে উত্তৰ প্ৰদেশ। দুয়ো চৰকাৰে সমিলমিলেৰে মাত্ৰ কেইশমান মিটাৰৰ ব্যাসাৰ্ধৰ প্ৰস্তাৱ লৈ প্ৰেৰণ কৰাই সকলোকে চমকিত কৰিছে। অৱশ্যে এই প্ৰস্তাৱ পৰিৱেশ মন্ত্ৰালয়লৈ যাব আৰু তেওঁলোকে ৰাইজৰ পৰামৰ্শ বিচাৰিব।

এতিয়া দীপৰ বিলৰ কথাটোলৈ আহো। দীপৰ বিলৰ ওপৰত নিৰ্ভৰশীল ৮১৫ টা মাছমৰীয়া পৰিয়ালক চৰকাৰে পুনৰ সংস্থাপন পেকেজ ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে অসম অনুসূচিত যুৱ-ছাত্ৰ সংস্থাৰ আগত প্ৰকাশ কৰিছিল। তেওঁ লগতে ইয়াকো কৈছিল যে কাষৰ-পাজৰৰ কাৰখানাবিলাকৰ পৰা দূষিত পানী দীপৰত পৰাত বাধা দিয়া হ'ব আৰু নতুনকৈ বেদখল কৰিবলৈ দিয়া নহ'ব। (বাতৰিৰ উৎস ঃ বিজনেছ ষ্টেণ্ডাৰ্ড ১৩-০৬-১৪)। এই পৰিপ্ৰেক্ষিতত দেখা গৈছে যে দীপৰৰ ক্ষেত্ৰতো দহ কিলোমিটাৰ ব্যাসাৰ্ধ ধৰিবলৈ হ'লে সি আমিনগাঁৱৰো সকলো উদ্যোগিক অঞ্চল ইয়াত সাঙোৰ খাব আৰু এটা ব্যাপক অঞ্চলত অস্থিৰতাৰ সৃষ্টি হ'ব। তেনে পৰিপ্ৰেক্ষিতত দীপৰৰ উত্তৰে ব্ৰহ্মপুত্ৰ নৈৰ দিশে দুই কিলোমিটাৰ বা তাতকৈ কিছু কম-বেছি পৰিমাণে ধৰি দক্ষিণ দিশে গড়ভঙা পাহাৰৰ দিশে দহ কিলোমিটাৰ সামৰি ল'বলৈ পূৰ্ণ সুযোগ আছে। এনেধৰণে এৰা-ধৰাৰ মাজেৰে এই কাম কৰাৰ শেষ নিৰ্দ্ধাৰিত সময় ৩১ মে' ২০১৫ ৰ ভিতৰত কৰিবলৈ প্ৰচুৰ সুযোগ আছিল যদিও বন বিভাগৰ যথাৰং হেমাহিৰ বাবে সি হৈ নুঠিল। জনসাধাৰণক আস্থাত লৈ কাম কৰিব বিচৰা মানসিকতাৰ অভাৱৰ বাবে এনেদৰে একোটা অতি দৰকাৰী কাম বছৰৰ পিছত বছৰজুৰি গোঠেলা মৰাৰ এইটো এটা উৎকৃষ্ট উদাহৰণ। ভালদৰে কথাবিলাক বিশ্লেষণ কৰি বুজাই দিব পৰা হ'লে স্থানীয় ৰাইজৰ বিৰোধিতা কৰি থকাৰ কোনো থল নাথাকিলহেঁতেন আৰু তেনে ক্ষেত্ৰত বিষয়টো বাৰ বছৰজুৰি ওলমাই থোৱাৰ প্ৰয়োজন নহ'লহেঁতেন। ◆◆

# অসমৰ পৰ্যটন ক্ষেত্ৰ ঃ প্ৰতিশ্ৰুতি আৰু প্ৰত্যাহ্বান

অমৰজ্যোতি শইকীয়া

**পাতনি ঃ** সাধাৰণতে পৰ্যটন শব্দটোৱে কৰ্মব্যস্ততাৰ পৰা বিৰতি লৈ দৈনন্দিন পৰিবেশৰ পৰা আঁতৰি কোনো ঠাইলৈ মন পাতলাবৰ অথবা আমোদ-প্ৰমোদৰ উদ্দেশ্যে ভ্ৰমণ কৰিবলৈ যোৱা বুজায়। পৰ্যটনৰ ইংৰাজী প্ৰতিশব্দ 'Tourism' শব্দটো Concise oxford of Dictionary মতে 'the comercial organisation and operation of holidays and visits to places of interest'. হাৰ্মান চুলাৰ্ড নামৰ অষ্ট্ৰিয়াৰ এজন অৰ্থনীতিবিদে ১৯১০ চনত প্ৰথমে পৰ্যটনৰ সংজ্ঞা আগবঢ়াইছিল।

পৰ্যটকসকলে মনৰ জিজ্ঞাসা, জ্ঞানৰ পিপাসা আৰু চকুৰ তৃষ্ণা পূৰণ কৰিব পৰা স্থান সমূহেই হৈছে পৰ্যটন ক্ষেত্ৰ। পৃথিৱীৰ দেশসমূহৰ লগতে অসমো এখন প্ৰাকৃতিক আৰু ঐতিহাসিক সম্পদৰে ভৰপূৰ পৰ্যটকৰ মন মোহিব পৰা অন্যতম পৰ্যটনক্ষেত্ৰ। ইয়াৰ প্ৰতিটো অঞ্চলেই একোখন একোখন দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণস্থলী হিচাপে দাবী কৰিলেও বঢ়াই কোৱা নহব। অসমৰ মৰিগাঁও জিলাৰ মায়ঙত থকা এছিয়াৰ দীৰ্ঘতম শিলালিপি, বহাপাহাৰত থকা অসমৰ সৰ্ববৃহৎ শিলৰ গণেশমূৰ্ত্তি, নীলাচল পাহাৰৰ শক্তি পীঠ কামাখ্যাধাম, ঐতিহাসিক বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ শিৱদৌল , জয়দৌল, ৰংঘৰ, কাৰেংঘৰ, পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলী, মহাপুৰুষ সৃষ্ট বৰদোৱা থান, বৰপেটা ধাম, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰ উদ্যোগ, সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ উদ্যোগ আদি পৰ্যটন উদ্যোগৰ এক অবিস্মৰণীয় উপাদান। তাৰোপৰি ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য হিচাপে চিহ্নিত কাজিৰঙা, মানাহ, ওৰাং, ডিব্ৰুচৈখোৱা , পবিতৰা আদি পৰ্যটন উদ্যোগৰ জয়যাত্ৰাৰ এক সমল।

আধুনিক কালত পৰ্যটন সংস্থাবোৰে আৰু ৰাজ্যিক চৰকাৰে স্থানীয় বিশেষত্ব বা ব্যক্তিগত অৰ্হতাৰ ভিত্তিত পৰ্যটনিক সাংস্কৃতিক পৰ্যটন, শিক্ষামূলক পৰ্যটন , ক্ৰীড়া কেন্দ্ৰিক পৰ্যটন, চিকিৎসা পৰ্যটন, পৰিৱেশ পৰ্যটন আদি কিছুমান বিশেষ দিশত পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত এক পৰ্যটন নীতি ঘোষণা কৰিছিল যদিও চৰকাৰৰ দুৰ্বল পদক্ষেপৰ বাবে আকাংক্ষিত সুফল উপলব্ধ হৈ নুঠিল।

**প্ৰতিশ্ৰুতি ঃ** প্ৰকৃতিৰ অপূৰ্ব নান্দনিক শোভা জনগোষ্ঠীগত বৈশিষ্ট্য বিভিন্ন জীৱ জন্তুৰ কাৰণে অসম বিশ্বৰ যিকোনো ঠাইৰ পৰ্যটকৰ বাবে আকৰ্ষণীয় ৰম্যভূমি হিচাপে পৰিগণিত হ'ব পাৰে। অসমৰ অৰ্থনীতিৰ জলন্ত সমস্যাৱাজিৰ অন্যতম নিবনুৱা সমস্যাটো সমাধানৰ উপযুক্ত সম্ভৱনাময় ক্ষেত্ৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বন্যপ্ৰাণী পৰ্যটন, সাংস্কৃতিক পৰ্যটন আদি খণ্ডসমূহে নিবনুৱা যুৱক যুৱতী সকলৰ প্ৰতি আশাৰ বতৰা কঢ়িয়াই আনিছে। এক শংকাবিহীন শান্তিময় অনুকূল পৰিৱেশত প্ৰাকৃতিক সৌন্দৰ্য, বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতিৰ যাদুঘৰ, অসমৰ আপুৰুগীয়া সম্পদসমূহক পৰ্যটক সকলৰ উপভোগৰ বাবে মুকলি কৰি দিব পাৰিলে পৰ্যটনে অনতি পলমে এক লাভজনক উদ্যোগ হিচাপে গা কৰি উঠিব। অসম পৰ্যটনৰ এখন সম্ভাৱনাময় ক্ষেত্ৰ, বিশ্বৰ বিখ্যাত এশিঙীয়া গড়ঁৰ বাসস্থান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মহাবাহু ব্ৰহ্মপুত্ৰৰ বৃহৎ নদীদ্বীপ মাজুলী, শিৱসাগৰৰ ছশ বছৰীয়া আহোম ৰাজত্বৰ কীৰ্তি স্তম্ভ, পক্ষী অভয়াৰণ্য দিপৰ বিল, পাচ্যৰ মানচেষ্টাৰৰূপে খ্যাত শুৱালকুছিৰ বস্ত্ৰ উদ্যোগ, ব্যাঘ্ৰ প্ৰকল্পৰ বাবে বিখ্যাত মানাহ ৰাষ্ট্ৰীয় উদ্যান , সোণালী বান্দৰৰ বাবে বিখ্যাত কাকৈজান বনাঞ্চল, গোৱালপাৰাৰ সূৰ্যপাহাৰ ইত্যাদি অসম পৰ্যটনৰ সমলবোৰ দেশী বিদেশী পৰ্যটকৰ আকৰ্ষনৰ মূল কেন্দ্ৰ। ইটালী, চিংগাপুৰ, হংকং আদি দেশে পৰ্যটন উদ্যোগৰ জৰিয়তে প্ৰচুৰ পৰিমাণে বৈদেশিক মুদ্ৰা উপাৰ্জন কৰি দেশৰ অৰ্থনীতি টনকিয়াল কৰি তুলিছে। আমাৰ দেশৰ ২৭ কোটি পৰ্যটকে বিদেশ ভ্ৰমণ কৰি বিশ্বকোষলৈ বছৰি ৬.৬ লক্ষ কোটি ডলাৰ অৱদান আগবঢ়াই আহিছে।

২০০৪ চনৰ তথ্য অনুসৰি ৰাষ্ট্ৰীয় উৎপাদনৰ ১৩০ লক্ষ কোটি টকাৰ ২% অৰ্থাৎ ২৬ লক্ষ কোটি টকা পৰ্যটনৰ অৱদান। World Travel and Tourism Council(WTTC) মতে 2020 চনত আমাৰ দেশত পৰ্যটনৰ পৰা ৮.৫ লক্ষ কোটি টকা আয় হোৱাৰ সম্ভাৱনা আছে।

আধুনিক জগতৰ যান্ত্ৰিক নগৰ সভ্যতাই মানুহৰ অন্তৰৰ গভীৰত সুপ্ত হৈ থকা প্ৰকৃতিৰ মনোৰমা সৌন্দৰ্য সুষমা পান কৰাৰ নান্দনিক পিয়াহক আজিও নিঃশেষ কৰিব পৰা নাই। মানুহে সদায় নেদেখা বস্তু চোৱাৰ আৰু নজনা কথা জনাৰ চিৰন্তন উৎসুক্যৰ বাবে সভ্যতাই বিকাশৰ চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। আজিৰ যুগত পৰ্যটনৰ উন্নয়নে এখন দেশ বা ৰাজ্যৰ আৰ্য সামাজিক, ৰাজনৈতিক , সাংস্কৃতিক দিশৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে পৰ্যটনৰ বিকাশৰ লগত জড়িত ব্যক্তিসকলৰ সৌন্দৰ্য, জ্ঞান, কল্পনা শক্তি, ঐতিহ্য পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মানৰ লগতে ৰাজ্যখনৰ সম্যক ভৌগলিক, ঐতিহাসিক তথা সাংস্কৃতিক জ্ঞান থকাটো নিতান্তই দৰকাৰ । উন্নত যোগাযোগ বন্ধুত্বসুলভ তথা স্বাস্থ্যসন্মত নিৰাপদ পৰিবেশৰ লগতে প্ৰদূষণ মুক্ত বাতাৱৰণ, থকা খোৱাৰ আৰাম দায়ক হোটেল বা পৰ্যটন নিবাস আদিয়ে পৰ্যটন খণ্ডৰ বিকাশত যুগান্তক অৰিহণা যোগায়। এখনি অভিলাসী আৰু উদ্ভাৱনীমূলক আঁচনিৰ জৰিয়তে পৰ্যটকে সততে সন্মুখীন হোৱা নিৰাপত্তাৰ অভাৱ, থকা-খোৱাৰ অসুবিধা, যাতায়াতৰ আহুকাল আদি পৰ্যটন বিকাশৰ অন্তৰায়বোৰ দূৰ কৰাৰ প্ৰয়োজন আহি পৰিছে।

আন্তৰ্জাতিক প্ৰেক্ষাপটত সাংস্কৃতিক পৰম্পৰা আৰু পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থানসমূহৰ বিষয়ে ব্যাপক প্ৰচাৰৰ উদ্দেশ্যে ইতিমধ্যে চৰকাৰে যশস্বী চলচিত্ৰ অভিনেত্ৰী প্ৰিয়ঙ্কা চোপ্ৰাক অসম পৰ্যটনৰ **"ব্ৰেণ্ড এম্বাছেদৰ"** হিচাপে নিয়োগ কৰি অসমক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মানচিত্ৰলৈ যোৱাৰ উপৰিও ব্যাপক প্ৰচাৰৰ জৰিয়তে ৰাজ্যখনৰ পৰিচয় দাঙি ধৰাৰ বাবে এগৰাকী পৰামৰ্শদাতা হিচাপেও নিয়োগ কৰিছে।

অসমৰ পৰ্যটন ক্ষেত্ৰ উন্নতিকৰণ আৰু অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যে অসম চৰকাৰে কেইখনমান আঁচনি যুগুত কৰিছে। সেইবোৰৰ ভিতৰত —

ক) বৰ্তমান থকা প্ৰশান্তি পৰ্যটন নিবাসৰ মান উন্নত কৰা।

খ) গ্ৰামীণ আন্তঃগাথনি উন্নয়ন পুঁজিৰ অধীনত মাজুলীত থকা তিনি তাৰকাযুক্ত ৰিজৰ্ট হোটেল স্থাপন।

গ) ডিব্ৰুগড়ত এটা চাহ সংগ্ৰহালয় স্থাপন।

ঘ) ইণ্ডিয়ান ৰেলৱে কেটাৰিং এণ্ড ট্যুৰিজিম কৰপ'ৰেচনৰ যুটীয়া প্ৰচেষ্টাত কামাখ্যা ৰেলৱে ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ পথ নিৰ্মাণ।

তাৰোপৰি পৰ্যটকক ঘৰত ৰখাৰ সুবিধাক উদগনি দিয়াৰ বাবে "আমাৰ আলহী" নামৰ এখন বিশেষ আঁচনি বাজেট ভাষণত ঘোষণা কৰিছে। এই আঁচনিসমূহ কাৰ্যকৰী হ'লে দেশৰ অৰ্থনীতি টনকিয়াল হোৱাৰ লগতে নিবনুৱা সমস্যা সমাধানৰ পথ প্ৰশস্ত হ'ব। কামাখ্যা আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ আন্তঃগাঁথনি সম্পূৰ্ণৰূপে উন্নতিকৰণৰ বাবে চৰকাৰে 'প্ৰসাদ' আঁচনিখন ৰূপায়ন কৰিছে। 'স্বদেশ দৰ্শন' আঁচনি ৰূপায়নৰ বাবে ৰূপায়নকাৰী প্ৰতিষ্ঠানক ১৯১৩ লাখ টকা ইতিমধ্যে মুকলি কৰি দিছে। ইয়াৰ লগতে ৰাজ্যৰ চলচিত্ৰ পৰ্যটকক উৎসাহিত কৰাৰ বাবে 'এখন খিৰিকি' নামৰ আঁচনি এখনৰ ব্যৱস্থা কৰিছে। মাজুলীক পৰ্যটকৰ কেন্দ্ৰ বিন্দু হিচাবে গঢ়ি তোলাৰ বাবে এখন মাষ্টাৰ প্লেন আৰু বিপনন কৌশল প্ৰস্তুত কৰাৰ উপৰিও গ'লফ পৰ্যটনৰ প্ৰসাৰৰ বাবে প্ৰদক্ষেপ গ্ৰহণ কৰিছে। পৰ্যটনস্থলী সমূহৰ লগত জড়িত ১৫০ গৰাকী ট্যুৰিষ্ট গাইডক প্ৰশিক্ষিত কৰি তুলিছে।

অসমৰ পৰ্যটন উদ্যোগটো অধিক বিকাশৰ বাবে নৱ প্ৰজন্মক প্ৰেৰণা দিয়াৰ উদ্দেশ্যে বিদ্যালয়-মহাবিদ্যালয়সমূহক এক পৰ্যটনক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ আৱশ্যক হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত পৰ্যটনৰ তাৎপৰ্য সম্পৰ্কে জ্ঞান বিস্তাৰৰ জৰিয়তে প্ৰচাৰমূলক ব্যৱস্থা গ্ৰহণ কৰি বিশ্ববাসীক আকৰ্ষণ কৰিব পাৰিব।

**প্ৰত্যাহ্বান** ঃ অসমৰ প্ৰাকৃতিক আৰু জৈৱিক বৈচিত্ৰ্যৰে ভৰপূৰ ঠাইবোৰ সম্পূৰ্ণৰূপে পৰ্যটকৰ উপযোগীকৈ গঢ়ি তুলিলে এই ৰাজ্যৰ পৰ্যটন উদ্যোগৰ বিকাশ হোৱাটো নিশ্চিত। প্ৰতিবছৰে কাজিৰঙাত যথেষ্ট পৰ্যটকৰ সমাগম হোৱা দেখা যায় যদিও ডিব্ৰুচৈখোৱা, পবিতৰা, মানস আদি অন্যান্য আৱিষ্কৃত আৰু অনাৱিষ্কৃত ঠাইসমূহৰ আন্তঃগাঠনিমূলক উন্নয়নৰ অভাৱত আৰু প্ৰয়োজনীয় প্ৰচাৰৰ অভাৱত পৰ্যটনৰ সম্ভাৱনাৰ সম্পূৰ্ণৰূপে বিকাশ হোৱা নাই। সুপৰিকল্পিতভাৱে এই ঠাইসমূহৰ বিকাশ কৰিলে অসম পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় ক্ষেত্ৰত পৰিণত হ'ব। পৰ্যটনক্ষেত্ৰ সমূহৰ সৰ্বাংগীন বিকাশ স্থানীয় লোকৰ সহযোগিতাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰে। সেয়ে সম্ভাৱনাপূৰ্ণ ঠাইসমূহত যেনে—

ক) ৰাস্তা-ঘাট উন্নীতকৰণ।

খ) পৰ্যটকৰ থকা খোৱাৰ বাবে অত্যাধুনিক হোটেল বা ৰেষ্টুৰেণ্ট স্থাপন।

গ) পৰ্যটনৰ ক্ষেত্ৰসমূহৰ বহুল প্ৰচাৰ আদি কাৰ্য স্থানীয় লোকৰ সহযোগিতাৰ জৰিয়তে

চৰকাৰী আঁচনি প্ৰয়োগৰ ব্যৱস্থা গ্ৰহণ কৰিলে পৰিবেশ পৰ্যটনৰ ক্ষেত্ৰত অসম জাকত জিলিকা হ'ব পাৰিব।

অসমৰ নদ-নদীসমূহত থকা মাছ ধৰা কাৰ্যৰ গতিশীল প্ৰক্ৰিয়া প্ৰয়োগ, পাহাৰ বগোৱা, পাৰাচাইলিং , ট্ৰেকিং আদি ৰোমাঞ্চকৰ ক্ৰীড়া এড্‌ভেঞ্চাৰ পৰ্যটনৰ যোগেদি পৰ্যটন ক্ষেত্ৰৰ আমুল পৰিৱৰ্ত্তন আনিব পাৰি। পৰ্যটন উদ্যোগ বিকাশৰ বাবে সমগ্ৰ অঞ্চলৰ বাবে সুসংহত আঞ্চলিক পৰ্যটন নীতি প্ৰয়োগ নিতান্তই প্ৰয়োজনীয়।

অসমৰ পৰ্যটন উদ্যোগৰ প্ৰধান প্ৰত্যাহ্বান হৈছে সন্ত্ৰাসবাদ। প্ৰায় দেখা যায় সন্ত্ৰাসবাদী সংগঠনৰ সন্ত্ৰাসমূলক কাৰ্যৰ পৰিপ্ৰেক্ষিতত বিদেশী পৰ্যটকসকল বিপদত পৰিবলগীয়া হয়। বিভিন্ন প্ৰকাৰৰ মৃত্যুৰ ভাবুকি , ধনদাবী আদি কু-কাৰ্যৰ বাবে পৰ্যটকসকলে ভ্ৰমণৰ পৰা বিৰত থাকিবলগীয়া হয়। যাৰ ফলত অৰ্থনৈতিক দিশত পৰ্যটন ক্ষেত্ৰসমূহে বাধাৰ সন্মুখীন হ'ব লগীয়া হয়। এই ক্ষেত্ৰত চৰকাৰে প্ৰশাসন আৰু নিৰাপত্তাৰ ব্যৱস্থা অধিক কটকটীয়া কৰাতো বাঞ্ছনীয়।

পৰ্যটন উদ্যোগৰ আন এটা প্ৰত্যাহ্বান হৈছে প্ৰশিক্ষণ প্ৰাপ্ত পথ পদৰ্শক বা গাইড নিয়োজিত কৰণ। পৰ্যটক সকলে যিহেতু বহু ধন খৰচ কৰি আহি ঠাই সমূহৰ কথা, স্থানীয় কলা সংস্কৃতিৰ বিষয়ে তন্ন তন্ন কৈ জানিব বিচাৰে এই ক্ষেত্ৰত তেওঁলোকক পথ দেখুৱাব বা ঠাইসমূহৰ বিষয়ে ভালকৈ বুজাই দিব পৰা পথ পদৰ্শক বা গাইডৰ অভাৱ। গতিকে দক্ষতাপূৰ্ণ অথবা প্ৰশিক্ষণপ্ৰাপ্ত গাইড নিয়োগ কৰিলে পৰ্যটনৰ বিকাশ দ্ৰুত গতিত আগবাঢ়িব।

পৰ্যটনৰ সৈতে জড়িত বিভাগ সমূহ যেনে— বন বিভাগ, পুৰাতত্ত্ব বিভাগ, পৰিবহন বিভাগ, জনসংযোগ বিভাগপ্ৰদূষণ নিয়ন্ত্ৰণ বিভাগ আদিৰ কাম-কাজ জড়িত থাকে। এই সকলো বিভাগে পৰ্যটনৰ ক্ষেত্ৰত চৰকাৰী নীতি মানি পৰ্যটনক সুচল কৰা আৰু ইয়াৰ বিকাশৰ বাবে সংহতভাৱে ঐক্যবদ্ধ লক্ষ্য অনুসৰি কাম নকৰিলে পৰ্যটনৰ বিকাশত বাধাগ্ৰস্ত হয়। সেয়ে সকলো ৰাজ্যৰ লগত সমন্বয় গঢ়ি তুলি সুসংহতভাৱে কাম কৰি পৰ্যটনৰ বিকাশ ঘটাব পাৰি।

অসম এখন বান পিড়ীত ৰাজ্য। প্ৰতিবছৰে প্ৰায় মে' মাহৰ পৰা আগষ্ট মাহলৈ হোৱা বৰষুণ আৰু বানপানীৰ বাবে পৰ্যটক সকলৰো নাজল-নাথল অৱস্থা হয়। এই সময়খিনিৰ ভিতৰত পৰ্যটকসকলে পৰ্যটন ক্ষেত্ৰ ত্যাগ কৰি স্বগৃহাভিমুখে ৰাওনা হ'ব লগীয়া হয়। তাৰ ফলত ৰাজহ সংগ্ৰহত বাধা জন্মে। আৰু পৰ্যটন উদ্যোগৰ লগত জড়িত ব্যক্তি তথা প্ৰতিষ্ঠান সমূহৰ বিস্তৰ ক্ষতিসাধন হয়। পৰ্যটন উদ্যোগৰ লগত জড়িত যান বাহনৰ কৰ্মীসকল নিষ্কৰ্মা হৈ পৰে। পুনৰ নিবনুৱা সমস্যাই গা কৰি উঠাৰ সম্ভাৱনা থাকে। গতিকে এনে সময়বোৰত যন্ত্ৰচালিত নাও তথা বিজ্ঞানসন্মত আহিলা ব্যৱহাৰ কৰি গতানুগতিকতা ৰক্ষা কৰিব পাৰিলে পৰ্যটন ক্ষেত্ৰৰ বিকাশ আৰু অধিক ফলপ্ৰসু হ'ব।

**সামৰণি ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশে অভিযান্ত্ৰিক বিপ্লৱৰ সূচনা কৰিছে। যাৰ ফলত পৰ্যটনৰ আন্তঃগাথনিৰ দ্ৰুত বিকাশ হৈছে। ইয়াৰ চানেকী আমি আধুনিক পথ নিৰ্মাণ পদ্ধতিত অধিক শক্তিশালী আৰু দ্ৰুতগতিৰ মটৰগাড়ী, মনোৰঞ্জন শিল্পৰ আধুনিকীকৰণত আৰু অন্যান্য আন্তঃগাথনিমূলক ব্যৱস্থা সমূহত দেখা পাও। আধুনিক তথ্য প্ৰযুক্তি বিদ্যাৰ বিকাশৰ ফলত ঘৰতে থাকি পৰ্যটকে পৃথিৱীৰ সকলো ঠাইৰ চাবলগীয়া বা উপভোগ কৰিব লগীয়া কিছু বস্তু আৰু ব্যক্তিগত ৰুচি অনুসৰি গন্তব্য স্থান বাছি ল'ব পাৰে। ঘৰত থাকিয়েই যাতায়াত আৰু থকা মেলাৰ ঠাই সংৰক্ষণ কৰিব পাৰে।

আন্তৰ্জাতিক পৰিসৰত পৰ্যটনৰ বিকাশ আৰু প্ৰসাৰৰ লগতে এই উদ্যোগে কিছুমান সমস্যাৰো সৃষ্টি কৰিছে। এই উদ্যোগে সামাজিক আৰু পৰিবেশৰ ওপৰত প্ৰভাব পেলোৱা দেখা যায়। অতি মাত্ৰা পৰ্যটকৰ সমাগমৰ পৰিপ্ৰেক্ষিতত অঞ্চলৰ নাৰী সমাজ অসামাজিক কাৰ্যত লিপ্ত হোৱা প্ৰায় দেখা যায়। অবৈধ প্ৰেম আৰু পতিতালয় গঢ় লৈ উঠাৰ ফলত সামাজিক পৰিবেশ বিঘ্নিত হয়। বাট-পথ-হোটেল-ৰেষ্টুৰা, মনোৰঞ্জন প্ৰকল্প আদি পৰ্যটনৰ আন্তঃগাঠনি মূলক নিৰ্মানৰ দ্বাৰা এই অঞ্চলৰ বন্যপ্ৰাণী, অৰণ্য ৰাজি আৰু পাহাৰ-পৰ্বতৰ বিস্তৰ ক্ষতি সাধনৰ সম্ভাৱনা আছে। পৰ্যটনৰ অনিয়ন্ত্ৰিত বিকাশে ইয়াৰ জৈৱিক বৈচিত্ৰ্যক বিপদগ্ৰস্ত কৰি সমগ্ৰ অঞ্চলটোৰ অভাৱনীয় ক্ষতি সাধন কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

সেয়ে সাম্ভাব্য ক্ষতিকাৰক প্ৰভাৱৰ পৰা ৰক্ষা পাবৰ বাবে পৰ্যটন নীতি আৰু পৰিকল্পনা তথা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰাৰ নিত্যান্তই প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰতি স্তৰতে স্থানীয় ৰাইজক জড়িত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলে পৰিৱেশ প্ৰদূষণ নোহোৱাকৈ পৰ্যটন উদ্যোগৰ বিকাশ সম্ভৱপৰ হ'ব।

♦♦

# মায়ঙত পৰ্যটন উদ্যোগ বিকাশৰ সম্ভাৱনীয়তা

অজিত মেধি

'মায়ং' যাৰ নামেই পৰিচয়। সুদূৰ অতীতৰে পৰা তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনে অসমৰ জনসমাজত এখন সুকীয়া আসন দখল কৰি আহিছে। তন্ত্ৰ-মন্ত্ৰৰ সমানে মায়ঙত পৰ্যটন উদ্যোগটোৱেও অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মূলতে হৈছে সমগ্ৰ মায়ঙবাসী ৰাইজৰ নিৰলস প্ৰচেষ্টা কম ঘনত্বত অধিক এশিঙীয়া গঁড়ৰ আবাসভূমি হিচাপে বিশ্বজুৰি প্ৰসিদ্ধি লাভ কৰিছে পবিতৰাই। তথ্য অনুসৰি ১৯২৫ চনত মায়ং পবিতৰা অঞ্চলত প্ৰথমটো গঁড় প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। তাৰ পৰৱৰ্তীকালত মায়ং অঞ্চলৰ একাংশ প্ৰকৃতিপ্ৰেমীয়ে এই ভূখণ্ডৰ হেতু ৰাইজক সজাগ কৰিবলৈ লয় আৰু ৰাইজেও ইয়াত সহযোগিতা আগবঢ়ায়। এই আপুৰুগীয়া জন্তুবিধক সুৰক্ষাৰ স্বাৰ্থত স্থানীয় ৰাইজে ১৯৬৭ চনতে পবিতৰা বননিখনক 'পবিতৰা সংৰক্ষিত বনাঞ্চল'লৈ পৰিবৰ্তিত কৰাৰ বাবে দাবী জনায়। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই ১৯৭১ চনৰ ১৮ নৱেম্বৰত চৰকাৰী অধিসূচনা নং FOR/Settlement/82/65/54 যোগে ১৬ বৰ্গকিলোমিটাৰ মাটি সামৰি পবিতৰা সংৰক্ষিত বনাঞ্চলৰূপে ঘোষণা কৰে। পৰৱৰ্তী পৰ্যায়ত পবিতৰাৰ দাঁতিকাষৰীয়া ৰাইজৰ প্ৰচেষ্টাত ১৯৮৭ চনৰ ১৬ জুলাইত পবিতৰা সংৰক্ষিত বনাঞ্চলক 'পবিতৰা অভয়াৰণ্য' হিচাপে ঘোষণা কৰে। সম্ভবতঃ ৰাইজে নিজ ভূমি দান দি চৰকাৰক দাবী জনোৱাৰ পিছত গঢ় লৈ উঠা পবিতৰা অভয়াৰণ্যই হ'ল বিশ্বৰ অন্যতম বন্যপ্ৰাণী সংৰক্ষিত অঞ্চল। সম্প্ৰতি ৩৮.৮১ বৰ্গকিলোমিটাৰ (৩৮৮৩ হেক্টৰ) মাটিকালিৰে ই আৱৰি আছে। পবিতৰা অভয়াৰণ্যলৈ বিভিন্ন সময়ত বিভিন্ন ভাবুকি আহিছিল যদিও স্থানীয় ৰাইজ আৰু বন বিভাগে ইয়াক হেলাৰঙে আঁতৰাই আজি বিশ্বৰ অন্যতম পৰ্যটনক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ পৰ্যটন ক্ষেত্ৰ হিচাপে অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে 'মায়ং পবিতৰা'। কম ঘনত্বত অধিক গঁড়ৰ আবাসভূমিৰ বাবে এই পবিতৰা বিখ্যাত। শেহতীয়া ২০১২ চনৰ পিয়ল অনুসৰি পবিতৰা অভয়াৰণ্যত ৯৩ টা গঁড় পোৱা গৈছিল। পৰৱৰ্তী পৰ্যায়ত পিয়ল হোৱা নাই যদিও বন বিভাগে গঁড়ৰ সংখ্যা বৃদ্ধিৰ হাৰৰ প্ৰতি লক্ষ্য কৰি শতাধিক গঁড় বৰ্তমান আছে বুলি ঠাৱৰ কৰিছে। অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহ পৰ্যন্ত পবিতৰাৰ বিল আৰু জলাশয়বোৰলৈ বহু পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। সেই সময়ত নানা ৰং-বিৰঙৰ পৰিভ্ৰমী চৰাইৰ কলৰৱে পবিতৰাত এক নান্দনিক সৌন্দৰ্য সৃষ্টি কৰে।

পবিতৰা পৰ্যটকৰ দৰ্শনৰ সুবিধাৰ্থে অসম চৰকাৰে ২০১৬ চনৰ পৰা অধিক পৰ্যটকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি নৱেম্বৰ মাহৰ পৰিবৰ্তে অক্টোবৰ মাহৰ পৰা এপ্ৰিল মাহলৈ মুকলি কৰি ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমত পৰ্যটন ক্ষেত্ৰৰ অলেখ সমল বিদ্যমান। প্ৰকৃতিয়ে অকৃত্ৰিমভাৱে আৰু উদাৰতাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিলাই দিছে প্ৰচুৰ প্ৰাকৃতিক সৌন্দৰ্য-সুভাস। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এই সম্পদ আৰু সমলবোৰৰ সদ্ব্যৱহাৰ তথা আন্তঃগাঁথনি উন্নয়নৰে পৰ্যটন ক্ষেত্ৰৰ বৈপ্লৱিক বিকাশ সম্ভৱ। উত্তৰ-পূৰৰ দুৱাৰমুখ তথা প্ৰধান চহৰ গুৱাহাটীৰ পৰা নাৰেঙ্গী হৈ পবিতৰা অভয়াৰণ্যলৈ দূৰত্ব মাথোঁ ৩২ কিলোমিটাৰ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ চামতা তিনিআলিৰ পৰা মাত্ৰ ১৮ কিলোমিটাৰ দূৰত্বত অৱস্থিত। পবিতৰা অভয়াৰণ্যৰ দাঁতিকাষৰীয়া যিবোৰ পৌৰাণিক ঐতিহ্যমণ্ডিত মঠ-মন্দিৰ, থান আছে এই স্থানবোৰক অধিক সমৃদ্ধি কৰি উপযুক্ত আন্তঃগাঁথনি গঢ়ি তুলিব পাৰিলে অঞ্চলটোত পৰ্যটন উদ্যোগৰ এক নতুন জয়যাত্ৰাৰ সূচনা হোৱাটো নিশ্চিত। অঞ্চলটোত পৰ্যটন উদ্যোগৰ বিকাশৰ জৰিয়তে শিক্ষিত যুৱকসকলে পৰ্যটনৰ দিশত নিজকে আত্মনিয়োগ কৰিলে যথেষ্ট পৰিমাণে

আত্মনির্ভৰশীল পাৰিব বুলি আমাৰ বিশ্বাস।

প্ৰাপ্ত তথ্যমতে ইং ২০১৩-১৪ বৰ্ষত 'পবিতৰা' অভয়াৰণ্যলৈ অহা দেশী পৰ্যটকৰ সংখ্যা ১৭,২৯৭ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা ২৭৩ গৰাকী। ইং ২০১৫-১৬ বৰ্ষত পবিতৰালৈ প্ৰায় ৪,০০০ গৰাকী দেশী পৰ্যটক আৰু অৰ্ধশতাধিক বিদেশী পৰ্যটকৰ আগমন ঘটিছে। ইং ২০১৫-১৬ বৰ্ষত পৰ্যটকৰ পৰা ৩০,০০,০০০ টকা ৰাজহ সংগ্ৰহ হোৱাৰ বিপৰীতে ইং ২০১৬-১৭ বৰ্ষতো এইপৰ্যন্ত অভয়াৰণ্য কৰ্তৃপক্ষই ৩২,৪২,২২৫ টকা পৰিমাণৰ ৰাজহ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। চৰকাৰে সদিচ্ছাৰে আগবাঢ়ি আহিলে 'পবিতৰা'ক কেন্দ্ৰ কৰি এক পৰ্যটন উদ্যোগ প্ৰকল্প গঢ়ি তুলি বিদেশী মুদ্ৰা আহৰণৰ লগতে এচাম নিবনুৱাক এই পৰ্যটন উদ্যোগৰ জৰিয়তে আত্মসংস্থাপনৰ পথৰ সন্ধান দিয়াৰ বিপুল সম্ভাবনীয়তা আছে। 'পবিতৰা' অভয়াৰণ্যৰ ওচৰৰ কাছশিলা পাহাৰৰ শীৰ্ষত থকা শিৱ-পাৰ্বতীৰ যুগল মূৰ্তি থকা পুৰণি মন্দিৰটো নৱম শতিকাৰ বুলি অনুমান কৰা হৈছে। ইয়াত থকা গণেশ দেৱতাৰ সুবৃহৎ মূৰ্তিটোৰ বিশেষ প্ৰত্নতাত্বিক গুৰুত্ব আছে। ইয়াকো এক সমল হিচাপে লৈ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পাৰি। অতি প্ৰাচীন কালৰে পৰা মায়ং নামৰ এই ভূ-খণ্ডই প্ৰত্নতাত্বিক দিশত যথেষ্ট প্ৰসিদ্ধি লাভ কৰি আহিছে। এই অঞ্চলৰ ঠাইসমূহত যেনি তেনি সিঁচৰতি হৈ আছে শৈল ভাস্কৰ্য, শিলালিপি, সাঁচিপাতৰ মন্ত্ৰপুথি, তুলাপাতৰ মন্ত্ৰপুথি, ধৰ্মগ্ৰন্থ, ৰজাঘৰীয়া সম্পদ আদি। এই বিত্তৰ সমলসমূহক লৈ মায়ং পৰ্যটন উদ্যোগটো বিকশিত কৰি তুলিব পৰা যায়। মায়ং পাহাৰৰ নামনিত অৱস্থিত বুঢ়ামায়ং শিলালিপি (Rock Inscription) এছিয়াৰ ভিতৰতেই আটাইতকৈ দীঘল শিলালিপি (৩.৮৫ মিঃ) লগতে বুঢ়া পাহাৰত থকা আনুমানিক দশম শতিকাত নিৰ্মিত সুবৃহৎ গণেশ মূৰ্তি বিশ্বৰ ভিতৰতেই প্ৰাচীন শৈল গণেশ মূৰ্তি বুলি স্বীকৃত হৈ মায়ঙৰ গৌৰৱ ঘোষণা কৰি আহিছে। ইয়াকো এক সমল হিচাপে লৈ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি গঢ়ি তুলিব পাৰি।

ঐতিহাসিক মায়ঙৰ এক অবিচ্ছেদ্য অংগ কাজলিচকী। কলং-কপিলী আৰু চিৰি লুইতৰ সংগমস্থলী এই কাজলিচকী। স্বৰ্গদেউ প্ৰতাপ সিংহই (১৬০৩-১৬৪২ খ্ৰীষ্টাব্দ) সু-শাসনৰ বাবে মধ্য অসমত তিনিটা চকী স্থাপন কৰিছিল। ৰহা চকী, জাগী চকী আৰু কাজলিচকী। মোগলৰ অসম আক্ৰমণৰ সময়ত এই কাজলিচকী হৈ পৰিছিল বৰ অসমৰ দুৱাৰমুখ। সেয়ে বাকী দুটা চকীতকৈ এই চকীৰ গুৰুত্ব বেছি আছিল। মোগলৰ সোতৰবাৰ অসম আক্ৰমণৰ তেৰবাৰৰ লগতেই এই কাজলিচকী প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ পৰিছিল। প্ৰবাদমতে এই কাজলি পাহাৰৰ শিলৰ ওপৰত বহিয়েই লাচিত বৰফুকন আৰু আতন বুঢ়াগোহাঁইয়ে শৰাইঘাটৰ ৰণৰ কৌশল ৰচিছিল। মুঠতে শৰাইঘাটৰ যুদ্ধত মায়ঙে এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। কাজলিচকী অঞ্চলটো লক্ষ্য কৰিলে এই কথাটো সহজে অনুধাৱন কৰিব পাৰি। এই নৈসৰ্গিক অঞ্চলটোৰ চাৰিওফালে থকা কটবাঁহ আৰু লুইতৰ পাৰে পাৰে বৰ্তমানৰ বিষ্ণু মন্দিৰলৈ থকা গড় আৰু কলঙৰ দুয়োপাৰে গোৱৰ্দ্ধনলৈ থকা গড় দুটাৰ ভগ্নাৱশেষে ইয়াৰ প্ৰমাণ দাঙি ধৰে। এই ঐতিহাসিক ঠাইখনৰ সমলবোৰৰ সদ্ব্যৱহাৰ তথা আন্তঃগাঁথনি উন্নয়নৰে পৰ্যটন ক্ষেত্ৰৰ বৈপ্লৱিক বিকাশ সম্ভৱ।

প্ৰকৃতিৰ অপৰূপ সাঁজেৰে লানি নিছিগা পাহাৰৰ বুকুত সুৰুযে ছাঁ-পোহৰৰ খেল খেলা এখনি মনোমোহা ঠাই চনকা। সুখ-দুখৰ স্মৃতি বহন কৰা চনকা'ৰ সৌন্দৰ্য বৰ্ণনাতীত। শব্দৰে বৰ্ণনা কৰিব নোৱাৰা চনকাৰ সৌন্দৰ্যই প্ৰতিজন প্ৰকৃতিপ্ৰেমীৰ বুকুত এখন সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। নৰসিংহ আশ্ৰম, কানাই বৰশীবোৱা শিল, পৌৰাণিক গণেশ মন্দিৰ আৰু পাহাৰে ঢাকি থকা খেতিপথাৰক কেন্দ্ৰ কৰি খেতিপথাৰৰ এক নান্দনিক দৃশ্য। যান্ত্ৰিক জীৱনৰ পৰা কিছুসময়ৰ বাবে ফালৰি কাটি মুক্ত মনে কটাবলৈ এখন উপযুক্ত স্থান হৈছে চনকা। এই চনকাৰ বিষয়ে কিছু বছৰ আগলৈকে বাহিৰা মানুহ কোনো জ্ঞাত নাছিল। চাৰিওফালে আগুৰি থকা পাহাৰৰ ডাঠ হাবিৰ মাজেৰে এটা লুংলুঙীয়া পথ আৰু এই পথটি মনোমোহা দৃশ্যই পৰ্যটকক অধিক আকৰ্ষণ কৰি তোলে। ঝিৰ ঝিৰ শব্দৰে শিলত ঠেকা লাগি বৈ গৈছে ব্ৰহ্মপুত্ৰ বোৱতি নৈ, এই দৃশ্য অতি আকৰ্ষণীয়। প্ৰকৃতিৰ ৰহণ চৰোৱা এই পথটি অপলক দৃষ্টিৰে চাই থাকিলে দেহ-মন শীতল পৰি যায়। মায়ং চাৰিআলিৰ পৰা দহ কিলোমিটাৰ আঁতৰত আছে এই চনকা গাঁওখন আৰু এই গাঁওখনলৈ চাৰিখন গাঁও— কালশিলা পাৰ, লোণমাটি, ঔগুৰি আৰু হিলৈখুন্দা এই গাঁওকেইখন অতিক্ৰম কৰি যাব লাগে। গাঁওকেইখন অতিক্ৰম কৰাৰ পিছতেই আৰম্ভ হয় চনকাক আৱৰি থকা সুউচ্চ মায়ং পাহাৰ আৰু মায়ং পাহাৰতে ঠেকা লাগি বৈ গৈছে ব্ৰহ্মপুত্ৰ। প্ৰকৃতিৰ বিনন্দীয়া আৰু ইতিহাসপ্ৰসিদ্ধ ঠাই চনকা যাতায়াত বুলিবলৈ অতি দুৰ্গম

ৰাস্তাটোৰ যদিও উন্নয়ন হোৱা নাই তথাপি সৌন্দৰ্য অটুত ৰখাৰ প্ৰতি লক্ষ্য ৰাখিলে ইয়াৰ কোনো প্ৰয়োজন নাই যেন বোধ হয়। উন্নয়নৰ প্ৰয়োজন আছে মাথোঁ ইয়াৰ খোৱাপানী, বিদ্যুৎ সংযোগ আৰু শিক্ষা ব্যৱস্থা। আজিকালি দুই-এটা বনভোজৰ দল এই ঠাইলৈ আহিবলৈ লৈছে। পাহাৰৰ নামনিত ব্ৰহ্মপুত্ৰৰ বালি চাপৰিত মুকলি মনেৰে বনভোজ খাব পৰা অনেক ঠাই আছে। এই দিশত মায়ঙৰ নিবনুৱা যুৱকসকলে একোটা গোট খুলি Special Picnic Arrangement কৰিব পাৰে। এনে উপযুক্ত বনভোজস্থলী গঢ় লৈ উঠিলে দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় ঠাই হিচাপে চিহ্নিত হৈ পৰিব।

গএগ্রই মায়ং পাহাৰেদি বগাই গৈ লুইতৰ পাৰেদি এটি বিপদসংকুল যাত্ৰাৰে দিন অতিবাহিত কৰিছিল। লুইতৰ পাৰত মায়ং পাহাৰৰ দাঁতিত চনকালৈ যোৱা পথত অৱস্থিত কানাই বৰশিবোৱা শিল পৰ্যটনৰ আন এক আকৰ্ষণ। প্ৰবাদমতে ইয়াতেই বহি শ্ৰীকৃষ্ণই লুইতত বৰশী বাইছিল। চনকাখন পাহাৰেৰে আবৃত হোৱাৰ বাবে পলমকৈ সূৰ্যোদয় আৰু সোনকালে সূৰ্যাস্ত হয়। ইয়াৰ সূৰ্যাস্ত অতি দৃষ্টিনন্দনীয়। চনকাৰ নিচেই কাষতে হিলৈখুন্দাত নৰসিংহ আশ্ৰম অৱস্থিত। য'ৰ পৰা চিৰি লুইতৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰিব পাৰি। চনকা, ধনেশকে ধৰি কেইবাবিধো দুষ্প্ৰাপ্য চৰাইৰ অন্যতম বাসস্থলী। চনকা কাজলিচকীকে প্ৰমুখ্য কৰি প্ৰচুৰ সম্ভাৱনাময় বৃহত্তৰ মায়ং অঞ্চলটোক বিশ্বৰ এক অন্যতম পৰ্যটন নগৰ হিচাপে গঢ়ি তোলাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। এইক্ষেত্ৰত চৰকাৰৰ পদক্ষেপ নিশ্চিতকৈ লক্ষণীয় হ'ব।

অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সদিচ্ছাত সমগ্ৰ মায়ং অঞ্চলটোকে দেশৰ বিভিন্ন ৰাজ্য আৰু অসমৰ জিলাসমূহৰ পৰা অহা ধৰ্মপ্ৰাণ পৰ্যটক আৰু গৱেষকসকলৰ আকৰ্ষণৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তুলি পৰ্যটন উদ্যোগ হিচাপে বিকশিত কৰিব পৰা যায় কিন্তু আজিকোপতি সেয়া সম্ভৱ হৈ উঠা নাই। মায়ং অঞ্চলৰ নিবনুৱা যুৱকসকলে ঔগুৰি, হিলৈখুন্দা, চনকা এইকেইখন ঠাইক সমল হিচাপে লৈ পৰ্যটনৰ দিশত আগবাঢ়ি দুঃসাহসিক ক্ৰিয়া প্ৰশিক্ষণ (Adventure Training) লৈ পৰ্বতাৰোহণ, শিল বগোৱা, গুহা পৰিদৰ্শনৰ ব্যৱস্থা কৰিছে। এই ক্ৰিয়াবোৰৰ জৰিয়তে মায়ং পৰ্যটন উদ্যোগটো অধিক সমৃদ্ধিশালী হোৱাৰ লগতে অঞ্চলৰ নিবনুৱাৰ সংখ্যাও হ্ৰাস পাব।

পবিতৰাত পৰ্যটকৰ সুবিধাৰ বাবে হাতী ছাফাৰী আৰু জীপ ছাফাৰীৰ ব্যৱস্থা আছে। হাতী ছাফাৰী পুৱা ৬.৩০ বজাত আৰু পুৱা ৭.৩০ বজাত দুটা খেপত আৰম্ভ কৰা হয়। হাতী ছাফাৰীৰ বাবে ৯ টা হাতী আছে আৰু হাতী ছাফাৰী বনবিভাগৰ তৰফৰ পৰা কৰা হয়। কিন্তু জীপ ছাফাৰী স্থানীয় নিবনুৱা যুৱকৰ প্ৰচেষ্টাত গঠিত পবিতৰা জীপ ছাফাৰী এছ'চিয়েচনৰ তত্ত্বাৱধানত পৰিচালিত হয়। বৰ্তমান পবিতৰাত জীপ ছাফাৰীৰ বাবে ২০ খন জিপচী আছে। পৰ্যটকসকলৰ থকা-খোৱাৰ সুবিধাৰ্থে পবিতৰাত ব্যৱসায়িক ভিত্তিত ৬ খনমান ৰিজ'ৰ্ট গঢ় লৈ উঠিছে। অৱশ্যে বৰ্তমান মায়ঙৰ উদীয়মান যুৱ-প্ৰজন্ম কেইজনমানে নতুনকৈ চিন্তা-চৰ্চা কৰি Mayong Adventure Camp নামকৰণেৰে পৰ্যটনৰ দিশত আগবাঢ়ি আহিছে। এই 'মায়ং এডভেঞ্চাৰ কেম্প' যিবোৰ পেকেজ আগবঢ়াবলৈ ওলাইছে ই সঁচাকৈ প্ৰশংসনীয়। এই প্ৰকল্পই আগবঢ়াবলৈ ওলোৱা পেকেজবোৰ হৈছে— পৰ্বতাৰোহণ, শিল বগোৱা, চাইক্লিং, গুহা পৰিদৰ্শন, বৰশিবোৱা, Camping River Crusing আৰু Special Picnic.

অতি প্ৰাচীন কালৰে পৰা মায়ং ৰাজ্যই বিশ্ব দৰবাৰত স্ব-মহিমাৰে প্ৰতিষ্ঠা লাভ কৰি আহিছে যদিও দেশ বিদেশৰ পৰ্যটকক মায়ংৰ সমলসমূহ বিশ্বদৰবাৰত দাঙি ধৰা ব্যক্তি দুজন মূলতে হ'ল - লোক গৱেষক লোকেন্দ্ৰ হাজৰিকাদেৱ আৰু ড° উৎপল নাথদেৱ। ১৯৭৮চন মানৰ পৰাই তেওঁলোকে সংগ্ৰহ কৰা ঐতিহাসিক সামগ্ৰীসমূহক লৈ ২০০২ চনত গঢ় লৈ উঠে "মায়ং গ্ৰাম্য সংগ্ৰালহয় আৰু গৱেষনা কেন্দ্ৰ।" পৰৱৰ্তী কালত তেওঁলোকৰ নেতৃত্বতে tourfed নামৰ অনুষ্ঠান এটাৰ সহযোগত পোন প্ৰথম বাৰৰ বাবে মায়ঙত ২০০২ চনৰ ২৭ চেপ্তেম্বৰত বিশ্ব পৰ্যটন দিৱসটো পালন কৰা হয়। প্ৰায় ২ কিঃমিঃ দৈৰ্ঘ্যৰ এটা বিশাল সাংস্কৃতিক শোভাযাত্ৰাই মায়ঙৰ সমগ্ৰ সংস্কৃতি- ঐতিহ্যক উপস্থাপন কৰাৰ পাছৰে পৰা পৰ্যটনৰ ক্ষেত্ৰত মায়ঙে এখোজ- দুখোজকৈ আগবাঢ়িবলৈ আৰম্ভ কৰে। ইয়াৰ পাছত ২০০৪ চনত পুনৰ বিশ্ব পৰ্যটন দিৱসটি উদযাপন কৰি মায়ঙৰ ঐতিহাসিক সমল সমূহক বিশ্ব দৰবাৰত উপস্থাপন কৰা মানসেৰে 'কাজিৰঙা'ৰ লেখিয়াকৈ পবিতৰা অভয়াৰণ্যতো হাতী ছাফাৰী মুকলি কৰা হয়। এই হাতী ছাফাৰী শুভাৰম্ভ হয় সেই সময়ৰ পবিতৰাৰ বনাঞ্চলিক বিষয়া জুলফিকৰ আলম, লোকেন্দ্ৰ হাজৰিকা আৰু ড° উৎপল নাথৰ উদ্যোগত। ইয়ে মায়ং পবিতৰা পৰ্যটনৰ ক্ষেত্ৰত এক অনন্য মাত্ৰা প্ৰদান কৰে।

পৰৱৰ্তী পৰ্যায়ত tourfed ৰ অধ্যক্ষ অমৰ বৰাৰ

সহযোগত গুৱাহাটী পৰা জাহাজেৰে ঔগুৰিৰ মাটিলৈ পৰ্যটকক অনা হয় আৰু ঔগুৰি মাটিৰ পৰা পবিতৰালৈ মহৰ গাড়ীৰে পৰ্যটক কঢ়িওৱা হয়। ড° উৎপল নাথৰ উদ্যোগত ২০০৪ চন মানত মায়ঙৰ চাৰিখন হাইস্কুলৰ নৱম আৰু দশম শ্ৰেণীৰ প্ৰায় ২০০জন মান ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এটা প্ৰীতি ভোজৰ আয়োজন কৰি পবিতৰাত "জিপ ছাফাৰী" বাবেও হাবি জুৰি বাট মুকলি কৰা হয় আৰু ২০০৫ চনৰ নৰেশ্বৰ মাহৰ পৰা স্থানীয় লোকৰ তিনিখন মহেন্দ্ৰ পিক আপ ভেনেৰে "জিপ ছাফাৰী" শুভাৰম্ভ হয়। ২০০৪ চনত tourfed ৰ উদ্যোগতে উল্লেখিত ব্যক্তি কেইগৰাকীৰ নেতৃত্বতে মায়ঙত গ্ৰাম্য সৌন্দৰ্য্য প্ৰতিযোগিতা এটিও অনুষ্ঠিত কৰা হয়। এই সৌন্দৰ্য্য প্ৰতিযোগিতাত স্থানীয় পৰম্পৰাগত সাজ-পোছাকেৰে মায়ঙৰ সৌন্দৰ্য যে কোনোগুণে কম নহয় তাক প্ৰতিষ্ঠা কৰে বিশ্ব দৰবাৰত । স্থানীয় লোকৰ নিৰলখ প্ৰচেষ্টাৰে দেশ-বিদেশৰ পৰ্যটকক বাৰুকৈয়ে আকৰ্ষণ কৰি তুলি এতিয়া ই এটা গুৰুত্বপূৰ্ণ পৰ্যটন কেন্দ্ৰ হৈ পৰিছে। চৰকাৰী পৃষ্ঠপোষকতা পালে পবিতৰাই অকল নহয়, অগনন ন-পুৰণি সামগ্ৰী তথা কলা - সংস্কৃতিয়ে ঠাহ খাই থকা মায়ং অঞ্চলটোৱে যে এটা পৰ্যটন কেন্দ্ৰ ৰূপে গঢ়লৈ উঠিব পাৰিব, সি ধ্ৰুপ।

শেষত মাথোঁ ইয়াকে পুনৰ দোহাৰিব বিচাৰিছোঁ যে মায়ং পৰ্যটন উদ্যোগটো বিশ্বৰ পৰ্যটন মানচিত্ৰত অধিক আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ অনেক সমল আছে। ৰাজধানী চহৰৰ কোলাহল আৰু যান্ত্ৰিকতাৰ পৰিত্ৰাণ বিচাৰি ক্ষন্তেক অৱসৰ বিনোদনৰ সন্ধান কৰিব খোজা মহানগৰৰ নাগৰিকসকলৰ বাবে মহানগৰখনৰ নিচেই সমীপতে থকা মায়ং পৰ্যটন ক্ষেত্ৰসমূহে নিশ্চয় অগ্ৰাধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব। পৰ্যটন ক্ষেত্ৰৰ প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়নে পৰ্যটন উদ্যোগক লাভজনকভাৱে বিকশিত কৰি তুলিব। ♦

*সহায়ক গ্ৰন্থ ঃ*


*(১) হৃদয় ব্ৰহ্মপুত্ৰ (স্মৃতিগ্ৰন্থ) ঃ অশোক কুমাৰ দাসৰ প্ৰবন্ধ।*

*(২) হৃদয় ব্ৰহ্মপুত্ৰ (স্মৃতিগ্ৰন্থ) ঃ বুবুমনি গোস্বামীৰ প্ৰবন্ধ।*

*(৩) মায়ঙৰ ইতিহাস ঃ লোকেন্দ্ৰ হাজৰিকা।*

*(৪) হৃদয় ব্ৰহ্মপুত্ৰ (স্মৃতিগ্ৰন্থ) ঃ নৱজ্যোতি নাথ।*